কুড়িশতিকার মহাকাব্য

নীলকণ্ঠ

910
619
N.B.H

ৰিশতিকাৰ মহাকাব্য

26 MAR '63

নীলকণ্ঠ

●

কুৰিশতিকাৰ মহাকাব্য

প্ৰথম প্ৰকাশ :

জানুৱাৰী, ১৯৬০

●

প্ৰকাশক :

শ্ৰীবৃন্দীন্দ্ৰ কুমাৰ বৰুৱা

নগাওঁ (অসম)

●

ছপাশাল :

জনতা ছপাঘৰ,

নগাওঁ (অসম)

●

মুদ্ৰাকৰ :

শ্ৰীবৃন্দীন্দ্ৰ কুমাৰ বৰুৱা

●

মূল্য :

পকাবন্ধা—২·৫০ নঃপঃ

কেচাবন্ধা—২·০০ নঃপঃ

[সৰ্ব্বস্বত্ব লিখকৰ]

—সূচী—

পৃথিবী সুন্দৰ কৰাহে প্ৰিয়া	১
তুমি অলপ কাম কৰা	১১
সাৱধান	১৬
নতুন প্ৰস্তাৱ	২৬
বুৰঞ্জীৰ প্ৰশ্ন:	৩১
প্ৰিয়া তুমি আকৌ গাভৰু হোৱা	৪৩
স্বাগতম হে অনাগত নাৰী বিপ্লৱ !	৪৮
পুৰুষ তুমি সংযম হোৱা	৫৩

সূচী

মহাশূন্যৰ অভিযাত্রী লাইকা	৫৭
তোমাক পাই হেকৰালোঃ অভিশাপ দিয়া	৬৬
প্রণয়ন লাগেঃ মনৰ	৬৯
আলিবাটৰ গাভৰুলৈঃ এটি আহ্বান	৭৪
পশ্চিম আজি বৈছে উভতি	৭৯
আলিবাটৰ ইন্টাৰভিউ (একাংকিকা)	৮৬
ভালপোৱাৰ গীত	৯৭
কুবিশতিকাৰ মহাকাব্য	১০৩

পৃথিৱী সুন্দৰ কৰা হে প্ৰিয়া

মোৰ সৃষ্টিৰ শত সাধনাৰ প্ৰিয়া !
বসন্তৰ জোৱাৰৰ আকৰ্ষণত
তোমাৰ এই সৰস যৌৱন
আমাৰ ডেকা (লুভীয়া ?) চকুত
এক অজেয় মোহিনী শক্তি লৈ দেখা দিয়ে ।
তোমাৰ যৌৱন আৰু সৌন্দৰ্য্যৰ
(আদি পিতাৰ দিনৰ পৰা চলি অহা)
আকুল পিয়াহত—
আমাৰ বুকুৰ প্ৰেম-পাৰাবাৰ প্ৰবৃত্ত হয়
আপোন পাহৰা সহজ নৃত্যত ।
আমি শৈশৱক পাহৰোঁ আৰু
জীৱনৰ এই নতুন অধ্যায়ত
অগণন প্ৰাণে
প্ৰকৃতি আৰু গৰাকীক

শলাগে, কৃতজ্ঞতা জনায় ঃ
সৃষ্টি ধন্য, জন্ম সাৰ্থক।
গৌৰৱত আমাৰ মন উথলি উঠে ;
আকাশলঙ্ঘী সাগৰৰ ঢৌৰে
বিচাৰি যাব খোজে……ৰহস্য।

কিন্তু, আজি ……
ফ্ৰয়ডৰ শৰণ প্ৰাৰ্থী
প্ৰাচ্য-পাশ্চাত্যৰ
সুশিক্ষিত ব্যৱসায়ী এক্সপাৰ্ট (পাৰ্গত) সকলৰ
মডেল, ডিজাইন আৰু প্লেনত
(শুৱালকুচীৰ পৰা ফৰাচী মহিলাই নিয়া বিধৰ নহয় !)
মিল কাৰখানাৰ পৰা
কোটী-কোটী অৰ্দ্ধাহাৰী-অৰ্দ্ধবস্ত্ৰ আৰু
হেজাৰ যুগৰ বংশগত অশিক্ষিত
নিৰক্ষৰ শ্ৰমিক-বনুৱাৰ ৰক্তস্নাত
বহুমুখী অভিব্যক্তিৰ সামগ্ৰী,
নগ্ন অৱলম্বন (আলিবাটত দেখা পাওঁ দেখি)
ছিল্ক, জৰ্জেট, ছিফন আৰু নাইল'নে
সগৰ্বে জন্ম গ্ৰহণ কৰে,
কেৱল তোমাৰ কাৰণে ;

উপলক্ষ আমি,
হেজাৰ হেজাৰ ডেকা

জাতীয় জীৱনৰ মান,
জীৱনৰ প্ৰয়োজন, মিতাচাৰ—
এই সকলোবোৰ
সমাজৰ গোৰাপন্থী, অপ্ৰগত
চকু-চৰহা শ্ৰেণীৰ
হিংসাৰ উদগীৰণ, বিদ্বেষৰ বক্তব্য,
বিদ্ৰোহৰ বাণী, বিষোদ্গাৰ আৰু বমন!

জীৱনৰ চৰম লভ্য:
বিলাসিতা, উপভোগ।
বিবেকক পৰাভূত কৰি,
তোমাৰ একচ্ছত্ৰী মনৰ
ৰুচিৰ দুৰ্দম অভিযানৰ অবিৰাম গতি।
দেশ আৰু পৰিয়ালৰ বাজেট ঘাটি কৰি,
বৈদেশিক বাণিজ্যৰ ভাৰ-সাম্য চেৰ পেলাই,
দেশ বিদেশৰ মিল কাৰখানাৰ পৰা
তোমাৰ ব্যক্তিগত সম্পদ

সত্য নতুন বস্ত্ৰ-সামগ্ৰী আহে ।
টকা-ডলাৰ-ষ্টাৰ্লিং……
বোম্বাই-বাঙালোৰ……
লাঙ্কাছায়াৰ-বাকিংহামৰ সপোন বাস্তৱ হয় ।
আৰু তাৰ লগতে
সানন্দে আগবাঢ়ে
তোমাৰ তৃপ্তিৰ পূৰ্ণ পয়োভৰ !

স্কুল-কলেজ
পাৰ্ক-আলিবাট,
সভা-প্ৰদৰ্শনি আৰু
ছাৰ্কাচ-ছবিঘৰত
হেজাৰ হেজাৰ ডেকাৰ সতৃষ্ণ ভীৰ ।
আমাৰ চকুৰ আগত
আমি বিচাৰি ফুৰা
তৃপ্তি-সৌন্দৰ্য্যৰ
অবাধ মুক্ত প্ৰদৰ্শনি :
বাৰিষাৰ মেঘৰ বুকু ভেদি
(নৈতিকতাৰ বৰফ গলাই)
এভাবেষ্টৰ আত্মপ্ৰকাশ (প্ৰয়াস !) ।

আমাৰ কাৰণে
পাত্ৰাপাত্ৰ নিৰ্বিশেষে
নিৰপেক্ষ আৰু সৰল বিতৰণৰ
বহল আঁচনি লৈ,
বন আৰু ফুলনিৰ
নৱজাত পুষ্পৰাজিৰ
মোহিনী সৌৰভ কঢ়িয়াই অনা
ধীৰ মন্থৰ গতিত
দক্ষিণৰ সমুদ্ৰস্নাতা মলয়া বতাহ
তোমাৰ (যৌৱনৰ) কান্তি-শিখৰত
খুন্দাখাই চকুমেলি
চকখাই উঠে :
অচিনাকি অভিজ্ঞতা !
লাজ আৰু সংকোচত
পথ-ভ্ৰান্তিৰ ধিক্কাৰেৰে
বেচেৰী মলয়াই
ফালৰি কাটে,
আঁতৰি পলায় ;
এই দুৰ্ঘটনাতো আমাৰ লাভ :
তোমাৰ বুকুৰ স্বাধীন স্বচ্ছ বসন
বাহুত বাগৰি পৰে ;
(দৃষ্টি-শক্তি হ্ৰাস কৰি)

আমাৰ চকুত চটক লাগে !
প্ৰদৰ্শনিৰ আতিশয্যত অথবা আমাৰ
প্ৰত্যক্ষ অভিজ্ঞতাত ধাৰণাৰ ভুল হয় :
কোনোবা পত্নিৰ উদ্দেশ্যে
নৱ পৰিণিতা জায়াৰ
গোপন আৰু ব্যক্তিগত ৰংমহলৰ
কাম-কৌতুকৰ অভিসাৰ বুলি
আমি অপ্ৰস্তুত হওঁ।
কিন্তু ব্যাপক বাস্তৱে বিস্ময়-অভিভূত কৰি
বিশ্বাসেৰে আমাৰ অন্তৰ ভৰাই দিয়ে :
ই নব্য-সমাজৰ
নৱ-যৌৱনাৰ
শতাব্দীৰ সাধনা-লব্ধ
তৃপ্তিৰ জীৱন-যাত্ৰা,
কাৰা-জীৱনোত্তৰ স্বাধীনতা।

তাতো আমি
দেশ আৰু স্থানৰ
স্পষ্ট পৰিবেশৰ কথা
সমূলি ঠাৱৰ কৰিব নোৱাৰোঁ।
আমাৰ সাধাৰণ বিশ্বাস,

আমি ওৱাচিংটনৰ……
সৌন্দৰ্য্য প্ৰতিযোগিতাৰ
(ডেকা পৰীক্ষকৰ বিচাৰত)
আকুল দৰ্শন প্ৰাৰ্থীৰ দল !
আমাৰ শিৰাই শিৰাই
তৰিতৰ প্ৰবাহ আৰু আমাৰ বুকুত
বিশ্বজিত ছেৰপা টেনজিঙৰ
অভূতপূৰ্ব দুৰ্দম হেঁপাহ !

আমাৰ লগত হিলাৰী-হাণ্ট আৰু………
সকলো আছে।
অক্সিজেনৰ অভাৱ,
প্ৰচণ্ড বতাহ,
দুৰ্জেয় প্ৰকোপ………
আমাৰ তাত এইবোৰ একোৱেই নাই।
কেৱল মাত্ৰ সমাজ-সভ্যতা আৰু
ধৰ্মৰ প্ৰাচীন-কলীয়া
নৈতিক ভয় আৰু শাসন-প্ৰশাসনৰ
আকাশ-লঙ্ঘী দুৰ্ভেদ্য বাধাৰ প্ৰাচীৰ।
তথাপি তাত আমাৰ
চেষ্টা-শক্তি বিন্দুমাত্ৰ বিৰত নহয়।

কুৰি শতিকাৰ

ভ্ৰমণ-ব্যৱসায়,
সামাজিক সদাচাৰ,
মিত্ৰতা আৰু শিল্প-কলাৰ চৰ্চাৰ জৰিয়তে
আমাৰ আলাপ-অভিসাৰ আৰু
পত্ৰ চলে,
ভাৱৰ বিনিময় ঘটে ; আৰু
সততে আমাৰ বহুমুখী অভিযানৰ মাজেদি
আকুল উদ্দেশ্যবোৰে কৰে আত্ম-প্ৰকাশ ;
আমাৰ অভিধানত
ব্যৰ্থতা বোলা শব্দই নাই ;
আমাৰ উপন্যাসত পৰাজয়ৰ অধ্যায় ৰচিত নহয়।
মিলন এটা অদ্ভুত শব্দ,
তেনেই গৌণ।
প্ৰতিটো চেষ্টা আৰু অভিযানক আমি
সগৌৰৱে কৃতকাৰ্য্যতা বুলি ধৰোঁ।
খোজে খোজে আমালৈ
সময়ে ৰিঙিয়ায় :
স্থায়ী লাভ আমাৰ
সঁচাকৈয়ে জানো হৈছে !
আমাৰ কিন্তু কৰ্ণপাতৰ প্ৰয়োজনবোধ নাই ;
আমি হিচাবেই নকৰোঁ,
(আয়-ব্যয়ৰ) বজাৰ হিচাব আমাৰ······

জীৱনৰ তালিকা বৰ্জিত।
প্ৰয়োজন কি?
দান আৰু প্ৰত্যাখ্যান
দুবিধ লাভ মাত্ৰ।
দুয়োটাই আমাৰ কাম্য
আৰু সেইদেখিয়েই প্ৰাপ্য;
তাতেই জীৱনৰ এটা নৱন্যাস,
যৌৱনৰ শ্ৰেষ্ঠতম সাৰ্থকতা,
জনমৰ অন্যতম উদ্দেশ্য।

* * *

সত্যৰ খতিয়ান অৱশ্যে ওলায়!
তোমাৰ চঞ্চল মোহিনী খেলত
আমাৰ মন আৰু নৈতিকতা
সমানে স্খলিত হয়।
প্ৰবঞ্চিত যৌৱনৰ তিক্ত অনুশোচনাই
আমাৰ জীৱন আৰু সত্বা
ব্যৰ্থ আৰু বিষাক্ত কৰি তোলে।
বঞ্চিত যৌৱনৰ একোখনি গধূৰ ইতিহাস আমি
গোপন আৰু অপ্ৰকাশ ৰাখি
বিজ্ঞ-ভদ্ৰ আৰু সভ্য জীৱন কটাওঁ।
সত্যৰ অপলাপৰ অভিনয়েৰে আমি

সমাজৰ হেঙ্গাৰ কলঙ্ক ঢাকি ৰাখো ।
আমি দিওঁ মানৱ জীৱনৰ যিমানবোৰ
ভুল ব্যাখ্যা ।
সৃষ্টি-লয়ৰ ভুল বিশ্লেষণেৰে
বঞ্চিত জীৱন আৰু প্ৰৱঞ্চিত অন্তৰক
বাস্তৱৰ কলুষ-কালিমাৰ বিনিময়ত
স্বৰ্গৰ প্ৰতিশ্ৰুতি শুনাই আমি
আত্ম-প্ৰসাদ লাভ কৰোঁ ।
আমাৰ জনম, জীৱন, কথা আৰু কাম
সকলো পৰস্পৰ বিৰোধী ।
কেৱল এইবোৰৰ ব্যক্তিগত সসীমতাই নহয় ;
দেশ-কাল-সমাজৰো ঘোৰ শত্ৰু ঃ
অকালতে আমাৰ গীত-কবিতাৰ
সাগৰ-নদী,
প্ৰতিভাৰ আকাশী গঙ্গা
শুকাই মৰে,
পোত খাই বন্ধ হয় ।
পুৱাৰ তৰুণ পোহৰৰ দাবীত লাভ কৰা
দানৰ উপত্যকাত আমি
আবৰ্জনাৰ পাহাৰ ৰচোঁ ;
সোণৰ চৰুত আমি
কুখাদ্যৰ খিচিৰি ৰান্ধো ।

*　　*　　*

এই সবিৰোধ মানৱ জীৱন
এইদৰে আৰু কিমান যুগ প্ৰিয়া ?
অপেক্ষা আৰু ধৈৰ্য্য-ক্লান্তা ধৰনী আমাৰ অপাৰগা
শীঘ্ৰ মুক্তি বিচাৰি আকুল আৰু অস্থিৰ!
সেই কাৰণেই অনুৰোধ,
জনমৰ শত-সাধনাৰ চিৰ সহচৰী প্ৰিয়া ঃ
এই অসহায় পৃথিৱীক তুমি ৰক্ষা কৰাঁ।
তোমাৰ সেই অতীতলৈ এবাৰ উভতি চোৱাঁ।
মোহিনী লগা বৰ্তমানৰ
সৰ্বনাশী মৰম এৰি,
ভবিষ্যতৰ খাতিৰত তোমাৰ যৌৱন
আকৌ আৱৰি লৈ,
বহু বিতৰণ এৰি দিয়া, আৰু
সাগ্ৰহে প্ৰচলন কৰা
অবিভক্ত দানৰ “মামেকং শৰণং ব্ৰজ!”
আৰু তাৰ দ্বাৰাই আমাৰ জীৱন শান্ত-সুস্থ কৰাঁ,
এই পৃথিৱীক কৰি তোলা
সুখে গৌৰৱে উজ্জ্বল,
সুন্দৰ আৰু সফল।

তুমি অলপ কাম কৰা

মধু-সঙ্গিনি, এইটো কিমান শতাব্দী ?
কৃষ্ণাত 'চন্দ্ৰলেখা' চালোঁ,
কেৰা সপ্তাহো হ'ল ;
হাতঘৰীটো এতিয়াও বন্ধকতে·········।
নতুন ডিজাইনৰ শাৰীখন,
(আনে লৈ যায় বুলি)
সেইদিনাই কিনিলা ;
এইমাহত কিন্তু এডভান্স (আগধন) কাটিব।
পোণাকনৰ বাৰ্ষিৰ বাকী কিহেৰে মাৰিম !
পিক্‌নিকৰ টকা পচিশটা যে······
এতিয়াই লাগে ।
নিতৌ চাৰিবজাসৈকে
অফিচৰ ভিতৰতে গৈ
বাৰে বাৰে কাবুলিৱালাৰ দপ্‌দপনি !

বৰুৱাৰ ডিচপেন্‌চাৰীৰ আগেদি
তলমূৰ কৰি আৰু কিমান দিন যাব পাৰি ?
আৰ্জন আৰু সঞ্চয়ৰ কথা ওলালেই,
তোমাৰ ফোপোলা অভয় বাণীবোৰ
আৰু কিমান দিনলৈ শুনাই থাকিবা ?
মহিলা গ্ৰাহকৰ সংখ্যা ক্ৰমে বাঢ়িছে ;
দূৰ্গাদত্তই ৰেহাই দামত কাপোৰ আৰু
বেচিদিনলৈ নেবেচে !
সস্তাত বস্তু বেচাৰ ৰোমাঞ্চৰ মাজেৰে
সিহঁতে মৃত্যুক মাতিব কিয় ?
এতিয়া বৰঞ্চ অধিক দাম ধৰি
ৰেহাই প্ৰবঞ্চনাৰ কৌশলহে প্ৰচলন ।
এই হিচাবটোও ধৰিবা ।

* * *

মিশ্ৰ সঙ্কলনটোৰ পিচত
এই আগবেলাতেই দকৈ ভাবি লোৱা,
টকা কিমান লাগে,
কৰ্তন ক'ত ক'ত আৱশ্যক !
তাৰ পিচতো চোৱা,
কৰ্মই তোমাক দাবী কৰিছে !
বহি খালে ৰাজ ভৰালো উদং........

কুৰিশতিকাৰ

তোমাৰ পৈতৃক সম্পত্তিৰ মূলাইনো কিমান ?

*　　*　　*

ইফালে শুকুলা বাইদেউক ডেই
কৃষ্ণা ভনীটিক নিলে
কেৱল শিক্ষয়িত্ৰী.........
অৰ্থাৎ চাকৰী হে কাৰণ।
পকাচুলীয়া জেচি বাইদেউৰ
প্ৰেম-পৰিণয়ৰ বাতৰি
কাগজেও কঢ়িয়ালে
জয় ঢোলেৰে ;
মূলত সেই চাকৰী প্ৰধান।
গাভৰুকালত যাব নোৱাৰা বাইদেউ সকল
এতিয়া (পিতৃ গৃহ বিসৰ্জন দি)
সগৰ্বে ওলাব পৰাৰ কাৰণো সেই
মাথোঁ একেটা আৰু অদ্বিতীয়।
তেওঁবিলাকৰ আদৰ্শটিহে কেৱল
নতশিৰে গ্ৰহণ কৰা।

*　　*　　*

এই ...... পৰ্বৰ সমাপ্তিৰ লগে লগে তুমি
এলাহ আৰু কৃত্ৰিম ধনাঢ্য

দুয়োটা বিসর্জন দি
সুস্থ-সৰল আৰু স্বচ্ছন্দ,
উচ্চ শিক্ষিত দীৰ্ঘ জীৱনৰ কাৰণে
উৎপাদনশীল প্ৰেমিকা হোৱা ;
তাহানিৰ জীৱন-দৰ্শনৰ দিন আৰু নাই !
মই তোমাৰ অন্নদাতা আৰু
বেছিদিনলৈ হৈ····· নেথাকো,
কেৱল প্ৰেম আৰু দাম্পত্যৰহে সহচৰ ······

ব্যৱধান

৩৫০ কোটীৰো অধিক বছৰৰ আগতে ফাটি অহা
সূৰ্য্যৰ অঙ্গজ এটি গ্ৰহ
এই একেখনি পৃথিৱীৰ
আদম-হাৱাৰ সন্ততি আমি ।
হাবিয়ে-বনে নিয়ে ঘূৰি ফুৰা
চতুষ্পদীৰ বংশধৰ বুলিলেও
গছত ওলমি ফুৰা কাপ অথবা
বন-মানুহ কিন্তু আজি আৰু নহওঁ ;
মানুহৰ মই ডেকা আৰু
তুমি গাভৰু ।
মনৰ ভাব লিখিবও পাৰোঁ, পঢ়িবলৈকো শিকিছো ।
অৱশ্যে, আমাৰ সম্বন্ধে আমাৰেই মতভেদ আছে ।
আদি জন্ম এটা এক্‌ছিডেণ্ট (দুৰ্ঘটনা)
কেৱল মৃত্যু গন্তব্য আগত লৈ,

বিজ্ঞানে কয়।

*　　*　　*

ঈশ্বৰ আছে!
তেওঁৰে ইপ্সিত শ্ৰেষ্ঠ সৃষ্টি……
সৃষ্টিৰ মাজোদ
পৰম মুক্তিৰ হেতুকে
সুন্দৰ আৰু সদ জীৱনৰ
মহান উদ্দেশ্য লৈ :
সভ্যতাৰ প্ৰথম পথ প্ৰদৰ্শক ধৰ্মৰ মত।

এইবোৰ বিতৰ্কৰ প্ৰয়োজন মোৰ
অতি কম।
মোক মাথোঁ লাগে,
মানব জীৱনৰ শ্ৰেষ্ঠ অধ্যায়
যৌৱনৰ পূৰ্ণ আৰু সবল
অধিকাৰ আৰু প্ৰাপ্য।
তুমি মোৰ আৰু
মই তোমাৰ………।
আমাৰ জন্ম, যৌৱন আৰু জীৱনৰ
উদ্দেশ্য আৰু লক্ষ্য

উমৈহতীয়া আৰু একেটা
মোক এৰি তোমাৰ জন্ম
নিস্ফল, নিৰৰ্থক আৰু ব্যৰ্থ
সৃষ্টিৰ উদ্যমেই নিসাৰ্থক।

* * *

তোমাৰ আৰু মোৰ মিলন
জন্ম স্বত্ব,
চিৰ কাম্য, চিৰ সাধ্য আৰু চিৰ লভ্য ঃ
সৃষ্টিৰ অপৰিহাৰ্য্য অঙ্গ বিশেষ।
মোক লাগে সেই মিলনৰে
অকপট, অকুটিল, সৰল, সহজ আৰু
পোনপটীয়া বাট।

* * *

ব্যৱধানে কিন্তু আজি মোৰ
বাস্তৱ আশাক কৰি তুলিছে
জটিল কল্পনা।
তোমাৰ আৰু মোৰ মাজত আজি
শিক্ষা,
জীৱনৰ ছন্দ,
গীত-মাত,

চাল-চলন,
ভাব আৰু ৰুচিৰ ইমান ব্যৱধান !
উন্নয়নৰ প্ৰশিক্ষণ নহয়,
পতনৰ ৰণ-সজ্জা,
অনাগত আনবিক যুদ্ধৰ দ্বাৰা ই
দ্বিপক্ষ নাশী ।

* * *

মিলনৰ দুই শক্তিৰ মাজত
ইমান ব্যৱধান আৰু তাৰতম্য !
সৃষ্টিৰ অদ্ভুত আৰু
অসম্ভৱ পৰিকল্পনা :
সুস্থ মিলনৰ কথা ভাবিলে
চন্দ্ৰলোক, শুক্ৰ আৰু মঙ্গলাভিযানতকৈও
দুৰূহ যেন লাগে !

* * *

মোৰ ডিগ্ৰীৰ যোগ্যা হোৱাৰ চেষ্টাই তোমাৰ·····
শিক্ষাৰ উদ্দেশ্যে আৰু আদৰ্শ ।
জ্ঞান লিপ্সাৰ প্ৰমাণ কাচিৎহে পোৱা যায় ;
স্নাতক কৰ্মচাৰী বা
অধ্যাপকৰ আঙঠি পালেই

ফাইনেল আগত থৈও
তোমাৰ পাঠাগাৰত তলা লাগে
স্কুল কলেজবোৰ আজি
এড্‌ভাৰটাইজিং কেটলগ ঃ
প্ৰতিযোগিতাৰ প্ৰদৰ্শনী ঃ
স্বয়ম্বৰৰ সমবায়।

* * *

মোক আকৃষ্ট কৰাৰ কাৰণে
তোমাৰ অৱলম্বন,
মাৰোৱাৰী মহাজন আৰু
কাবুলীৱালাৰ বহীত চহী কৰি,
বৰবজাৰৰ শিল্প নিপুণতা আৰু
কৃত্ৰিম আভিজাত্যৰ মহা প্ৰদৰ্শনী।
তোমাৰ গীতে
প্ৰাণৰ সম্ভেদ নিদিয়ে।
তাত কেৱল পোৱা যায়
প্ৰতিশ্ৰুতিহীন আৰু
নিৰাপত্তা বিহীন
কুটনৈতিক সহ অৱস্থানৰ
মোহময় আবেদনৰ সন্ধান।

* * *

নাট-মঞ্চৰ ডায়লগৰ দৰে
তোমাৰ কথাবোৰ চালিজাৰি
হৃদয়ৰ কণা বিচাৰি পোৱা নেযায় :
পোৱাটো জটিল আৰু দুঃসাধ্য।
লগতে বিপদৰ সম্ভাৱনাও যথেষ্ট।

* * *

তোমাৰ চাল-চলন আৰু
ব্যৱহাৰিক শিষ্টতা
গ্ৰীন ৰুমৰ মেক্‌আপৰ ফল,
কচিং ক্লাচৰ লিখিত উত্তৰ :
ঔপন্যাসিক অনুশীলণ ;
বন্তী চাই নম্বৰ দিয়াৰ আইন।
সাগৰৰ গভীৰতা বিচৰাটো
অপ্ৰগতিশীল আৰু আইন বিৰোধী।

* * *

সিমানেই নহয় :
মোৰ উপাৰ্জনৰ একচ্ছত্ৰী সম্ৰাজ্ঞী হৈ
আমৰণ চিত্ৰ-তাৰকা হোৱাৰ
তোমাৰ কামনাৰ অদ্ভুত ভাব কণিকাবোৰে আহি
মোৰ বাস্তৱ চিন্তাক জঠৰ কৰি তোলে।

কৃষি শতিকাৰ

সমাজতন্ত্ৰবাদৰ এই
নৱ সেউজ পুৰাতো
ছাহ্জাহান-ৰকফেলাৰ····· হবলৈ
মই সপোন ৰচোঁ,
আপ্ৰাণ চেষ্টা কৰোঁ ;
ব্যৰ্থ হৈ অৱশেষত পুনৰ্জন্ম বিশ্বাসী হওঁ আৰু
কল্পনাৰ সম্ৰাট হৈ আত্ম-প্ৰসাদ লাভ কৰোঁ।।

*　　　*　　　*

মোৰ ডিগ্ৰীৰ প্ৰশ্ন ও কিন্তু তোমাৰ বাহ্য মাত্ৰ
কাৰ্য্যতঃ ই গৌণ।
ডিগ্ৰীৰ সোঁফালে
এক-দুই-তিনি ······ক্ৰমিক সংখ্যাৰ
পিঠিত ফুৰা শূন্যবোৰৰ সন্ধানহে মুখ্য।
ব্যৱসায়ী-কনট্ৰেক্টৰ······ সকলৰ ক্ষেত্ৰত
ডিগ্ৰীৰ প্ৰশ্নটো তুমি
তুলিবলৈকে পাহৰা :
ধনেই ডিগ্ৰী :
ধনৰ কাৰণেই ডিগ্ৰী,
ডিগ্ৰীৰ কাৰণে········ নহয়।
তেনে ক্ষেত্ৰত বয়সৰ দাবীও
তোমাৰ প্ৰশ্নাতীত হৈ পৰে,

ৰূপ আৰু সৌন্দৰ্য্যৰ প্ৰশ্নও যুগ-বৰ্জিত ঃ
পুৰুষ মাত্ৰেই সুন্দৰ আৰু গুৱনী,
দৰা মানেই ডেকা আৰু কুমাৰ ;
চুলি পকিলেই বা
দাঁত সৰিলেই
মানুহ বুঢ়া হৈ নেযায়।
চল্লিশত পুৰুষ ফুলাম ডেকা,
অকালতো চুলি বগা পৰে ;
গোলাম মৌলাই কলপ বেচে।
বেমাৰতো দাঁত সৰে।
চীনা ডেন্টিষ্টে গোটে আঠ টকাকৈ লয় আৰু
বৰলা জানো দৰা হব নোৱাৰে !

*　　*　　*

তাতোকৈ অদ্ভূত সুত্ৰ আছে ঃ
পুৰুষৰ অভাৱেই
নাৰীৰ প্ৰেম-লিপ্সাৰ মূল ;
স্বামীৰ সাহচয্যত প্ৰেমিকক পাহৰা সহজ।
স্বামী আৰু প্ৰেমিক দুটা বেলেগ······
প্ৰেমিকেই স্বামী হব,
শাস্ত্ৰ ভাগৱতে লিখা নাই !

পতিক প্ৰেম দানৰে ধৰ্মৰ নিৰ্দেশ।

*　　*　　*

তোমাৰ স্বাধীনতাৰ সংজ্ঞা যে আৰু অদ্ভুত :
কেৱল সংঘৰ সভ্যা আৰু সমিতিৰ সদাসা……
সংগঠণ আৰু পুঁজিৰ সংগ্ৰহত সদলবলে……
নিজ হাতে বাকচ খুলি চান্দা আৰু এককালীন দান…
সাজপাৰৰ কাৰণে দোকান বজাৰত……
পাৰ্ক আৰু আলি বাটত পৰা-গধূলিৰ ভ্ৰমণ
ঠাকুৰ আৰু চাকৰনাৰ সাম্ৰাজ্যৰ ভিক্টোৰযা……
মোৰ আৰু তোমাৰ
বন্ধুৰ লগত (বান্ধৱীৰ নহয়)
চাহ-মেল-খেল আৰু ছবি-ছাৰ্কাচ……
(অৱস্থা আৰু পৰিৱেশ বিশেষে
ফোট আৰু ওৰনি গুচাই,
ডেকালৰাৰ চাৱনিৰ সন্নিধান দি
আৰু উদ্‌ভ্ৰান্ত মুহুৰি শুনি শুনি)
এইবোৰেই তোমাৰ আন্দোলনৰ লক্ষ-স্বাধীনতা !
এই অভিনৱ সূত্ৰৰ তত্ত্ব উদ্ঘাটনত
মই আৰু বিশ্বকোষ
সমানেই অপাৰগ !

*　　*

এইবোৰ মোৰ……
কল্পনাৰ সন্তান নহয়।
বাস্তৱৰ সতেজ ব্যৱধান!
এইবোৰ ব্যৱধানৰ বৈষম্য দূৰ কৰা,
মহাসমৰৰ সম্ভাৱনাখিনি
সমূলে বিনাশ হবলৈ দিয়া।
স্বাধীন যুগৰ তুমি
হে মোৰ মৰমী প্ৰিয়া!
এয়ে মোৰ,
আৰ্ত প্ৰেমিকৰ
কাতৰ কাকুতি!

নতুন প্ৰস্তাৱ

মস্কোৰ ক্ৰেমলিনৰ পৰা……
ৰাষ্ট্ৰসংঘৰ সমীপে
বুলগেনিনৰ (অন্তৰালত ক্ৰুছেবৰ)
নিৰস্ত্ৰিকৰণৰ পৰামৰ্শ,
পাশ্চাত্যত কমিউনিষ্ট বিৰোধী
ওৱাছিংটনৰ হোৱাইট্হাউচৰ-আঁচনি,
প্ৰাচ্যত চীনো ছোভিয়েট বিৰোধী
চিয়াটোৰ সামৰিক পৰিকল্পনা,
বাণ্ডুঙৰ ঔপানবেশিকতাৰ বিৰোধী গোট,
আনবিক, উদ্যান আৰু নিউক্লিয়াৰ বোমাৰ
পৰখ-কাৰ্য্যৰ প্ৰতিবাদ
আন্তৰ্জাতিক জনমত,
ৰকেটে ঠেলি লৈ ফুৰা
অভিমানী শিশু চন্দ্ৰলৈ

বিশ্বমানৱৰ চপাৰিচ ।
এইবোৰৰ কোনোটোৱেই নহয় ।
কিন্তু এইবোৰতকৈ কোনোপক্ষে
কমো নহয় মোৰ প্ৰস্তাৱটো ।

*　　　*　　　*

সেইবুলি উচপ্ নেখাবা !
আৰু ৰাজনীতিৰ চাঁটো বুলি লবো নেমাৰিবা ।
কাৰণ,
ছৱেফ তোমাৰ আৰু মোৰ
বিয়াৰ আগতে
মোৰ বক্তব্য কেইটামান কথা !
অৰ্থাৎ,
যোগবিয়োগৰ পিচত
তোমাৰ প্ৰস্তাৱটোৰ এটা নতুন ৰূপ !
ধৰি লোৱা এটা নতুন প্ৰস্তাৱ !
অৱশ্যে তোমাক প্ৰত্যাখ্যান কৰাৰ
ষ্ট্ৰাটেজী (উদ্দেশ্য) তাত নাই ।

*　　　*　　　*

তোমাৰ প্ৰস্তাৱটো মই
সানন্দে আৰু সাগ্ৰহে

মানিবলৈ প্ৰস্তুত ।
তুমি মাত্ৰ মানিব লাগিব
কেইটামান চৰ্ত :

*　　　*　　　*

তোমাৰ লগত
কাঠৰ বস্তু,
নগদ টকা
ধাতু নিৰ্মিত আহিলা-পাতি
(আমাৰ মাটিৰ বিলাকতো
মহেঞ্জোদাৰোতে পোত গ'ল)...... ।
এইবোৰৰ একোৰেই আনিব নোৱাৰিবা
সিহঁতে সতিনী হৈ
লগতে সোমাই আহি
কন্দলৰ পাৱালী জগাবলৈ
অভিমানৰ উমনি লয় ;
এলেহুৱা বনায় ।
এইবোৰ ননাকৈ তুমি
মোৰ পৰা মৰম আৰু অধিকাৰৰ
প্ৰাপ্যৰ সকলো
অবিভক্ত ভাবেই পাবা ।

*　　　*　　　*

চৰ্তৰ আন পদো আছে ঃ
তুমি খাবা তোমাৰ উপাৰ্জন
আৰু মোৰ……মই…… ।
(অৱশ্যে মোৰ সম্পত্তি আৰু উপাৰ্জন
তোমাৰ অস্পৃশ্য নহয় ;
আমাৰ……
লালন-পালন লাগিব ।)
*   *   *
চাকৰ চাকৰনীৰ অবিহণাও কিন্তু
মই (তোমাৰ ভাগৰ পৰা হলেও)
দিবলৈ সম্পূৰ্ণ প্ৰস্তুত নহওঁ ।
(সেই বুলি মই
ঠাকুৰ-চাকৰনীৰ
ভাত মৰাৰ ষড়যন্ত্ৰ কৰা নাই ।
সিহঁতৰ শ্ৰেণী উচ্ছেদহে মোৰ উদ্দেশ্য ।)
আনহাতে সিহঁতৰ কাম খিনি
তুমি নিজে কৰাৰ বিনিময়ত
শোষণহীন সমাজতান্ত্ৰিক বানচ পাবা !
সন্তানৰ পোহপাল……
শিক্ষা দীক্ষাৰ ব্যয় ভাৰো
আধা মোৰ,
বাকীখিনি তোমাৰ ।

*   *   *

মোৰ এই অভিনৱ প্ৰস্তাৱ শুনি
আচৰিত নহবা,
অথবা মোক
পাগল সাব্যস্তও নকৰিবা ।

*   *   *

মোৰ এই চৰ্তকেইটা মানি লৈ
যথাসাধ্য চেষ্টা আৰু
অভ্যাস কৰা ।
আমাৰ প্ৰস্তাৱ সাৰ্থক আৰু
সফল হব ।
কাৰ্য্যকাৰিতাৰ পিচত মই
কেইটামান দিন বচাই পাম ;
লগতে বিৰাগ-বিতৃষ্ণা আৰু
বৈৰাগ্যৰো মূল উচ্ছেদ হব ।
মোৰ এই নতুন প্ৰস্তাৱৰ কাৰণ জটিল ঃ
বিয়াৰ কথা শুনিলেই
দেউলীয়া পিতৃ আৰু
বিধবাৰ সংখ্যালৈ মনত পৰি মোৰ······
বুকুত ভূমিকম্প আৰম্ভ হয় ।
গতিকে তোমাক আৰু আগলৈ মোৰ

জীৱনৰ আকাশীলতা হ্বলৈ দিয়াৰ
ইচ্ছা নাই ।
সেই মহান উদ্দেশ্যৰেই
বিপ্লৱ ঘোষনা !
তোমাৰ বিৰুদ্ধে নহয়,
নিজক আৰু তোমাক উদ্ধাৰ কৰিবলৈ ।
ইন্‌কিলাব জিন্দাবাদ !!!
মোৰ অনাগতা প্ৰিয়া !
ইন্‌কিলাব জিন্দাবাদ !!!

বুৰঞ্জীৰ প্ৰশ্ন ঃ

কুৰি শতিকাৰ মধ্যযুগৰ
আমাৰ আপোন বুৰঞ্জী ।
নীল মধ্যএচিয়া গ্ৰীক……
কিম্বা ৰোমান সভ্যতা…… ।
কোনোটোৱে লগত ৰিজনি নচলে ;
এন্ধাৰ যুগৰ আৰবৰ নগ্ন বৰ্বৰতা ;
তাতোকৈ অদ্ভুত আনাহাতে ।

*　　*　　*

এই বুৰঞ্জীৰ নায়ক-পাঠক আমিয়ে সকলো ।
পৰীক্ষক আৰু পৰীক্ষাৰ্থীও আমি নিজেই ।
ডিগ্ৰী ডিপ্লোমাৰ ইয়াত প্ৰচলন নাই ।
পাঠ্য অৱশ্যে বাধ্যতামূলক আৰু
প্ৰতিটো প্ৰশ্নও অপৰিহাৰ্য্য ঃ

গুৰুত্ব সকলোতে সমান দিবা ঃ
আমাৰ যৌৱনৰ প্ৰকাশভঙ্গী আৰু
আবেগৰ মূৰ্ত্ত ৰূপ কি ?
লক্ষ্যৰ সংখ্যা, মান আৰু
দৃষ্টি-ভঙ্গীৰ পৰিসৰ
কিমান ?
কলৈকে ?
তুলনামূলক ভাবে পতন নে উন্নয়ন ?

*   *   *

আমাৰ ⋯ ⋯ বাটৰ ফুলনিৰ
মুক্ত গোলাপৰ থাপতে চিঙি লৈ
(ধেমালিতে ?)
এবাৰ শুঙিয়েই মাথোন
ঠাইতে মোহাৰি পেলোৱাৰ সংখ্যা কিমান ?
পক্ষান্তৰত আমি ⋯⋯
হাতৰ ৰুমাল হৈ চলাৰ যুগ
ক'ৰ পৰা কলৈকে ?
ৰ'জ এলিজাবেথৰ কথা নেলাগে ?
নিজৰ ঘৰৰ হেজাৰৰ পৰা
এটি দুটিৰে দৃষ্টান্ত দিয়া ।
আমাৰ প্ৰতিজ্ঞাৰ উক্তি আৰু

তাৰ .. ...
কাৰ্য্যবিবৰণিৰ আত্ম সমালোচনা কৰা ।
তোমাৰ ...... দেশীয়ে কাক কথা দিলে ?
কাৰ্য্যক্ষেত্ৰত ফুলৰ কবিতা নি
আনক পিন্ধালে কিয় ?

*   *   *

(ছাহজাহানৰ) তাজমহল আৰু
আলিজানৰ (লগতে ২২শ বন্ধুৱাৰ)
তেজমহলৰ মাজত জানো পাৰ্থক্য আছে ?
শিল্পীৰ শোকৰ সঙ্গীত নেগায়,
খোদ তাজমহলো ইমান নিষ্ঠুৰ আৰু অবিচাৰী ?
দোষ কাৰ ?
কাৰ দুৰ্বলতা ?
দুৰ্বলতা নে আত্ম-প্ৰৱঞ্চনা ?

*   *   *

মেনকাৰ জাতি-ধৰ্ম জানিও
ছৈয়দ ..... বাটেদি ইমান আগবাঢ়িল কিয়
প্ৰগতিবাদৰ স্বীকৃতি কলৈ পলাল ?
তাত যৌৱনৰ উন্মাদনা নে
স্বাৰ্থবাদিতাৰ প্ৰৱঞ্চনা ?

কোনটো সঠিক, যুক্তি দিয়া।

*   *   *

ৰাণীৰ কথা আলোচনা কৰা।
আজিও ‘নাৰী অবলা’ ?

*   *   *

প্ৰেমাভিযানৰ বেলিকা
বিশ্বজয়ী ঘোষণা।
প্ৰতিজ্ঞা ভঙ্গৰ কৈফিয়ৎ ৰূপে
পিতৃ-মাতৃৰ প্ৰতি
অ ল আৰু অটল আনুগত্যৰ
হঠাতে এই অদ্ভূত আবির্ভাব কিয় ? আৰু
কেনেকৈ হবলৈ পালে ?
তাতো উত্তৰাধিকাৰৰ দাবী নে ?

*   *   *

হাজৰিকাৰ ....সাৰাংশ লিখা।
বুঢ়া বাপেকৰ মন ৰাখিলে ;
অপ্ৰিয় বিপ্লৱী নহ'ল,
পৰিয়ালৰ প্ৰিয় সন্তান হল :
ঐশ্বৰ্য্য-লিপ্সাৰ কথাটো স্বীকাৰ কৰিবলৈ

আমাৰ ইমান কুণ্ঠাবোধ !
ইমান সংকীৰ্ণতা !

* * *

সেইযে অধ্যাপক ····· !
দীপিকাৰ লগত
ইমান······ ·· খেলিলে।
প্ৰেমৰ অভিমান কৰিলে
বীভাক লগাই
আপোচ মীমাংসা (কম্প্ৰমাইজ) কৰিলে
সেই অভিমানৰ ।
নিজৰ গল্প-কবিতাৰে
দীপিকাক (কাগজে-পত্ৰে)
কবি-সাহিত্যিক পতিলে ।
আৰু
আৰু বহুতো······ ।
বৰ্ণনা বাহুল্য, নিষ্প্ৰয়োজন।
যবনিকাহে উল্লেখযোগ্য !
প্ৰেমৰ দান স্বৰূপে দীপিকাক অধ্যাপকে
চাহ ৰসগোল্লাৰ ৰাক্ষসিনী পাতিলে
প্ৰিয় ছাত্ৰী বুলি !
মূল্যাঙ্কণ কৰা ।

*   *   *

আৰু তোমাৰ সেই …… শিল্পীজন !
জীৱন-সঙ্গিনীক শিকাই লোৱা :
ৰুণুৰ নিবেদন …… ।
তাৰ পিচতেই শিল্পীয়ে
গীত, বাদ্য, নৃত্য
সাগৰ উদিয়াই
কেৱল ৰুণুকে সকলো শিকালে।
ৰুণুৰ গুণ-গৰিমা,
যশ-গৌৰৱ,
ৰূপ-সৌন্দৰ্য্যৰ জেউতি ……
কেউফালে বিয়পি গ'ল,
চাৰিওফাল প্ৰতিভাত হৈ উঠিল।
ৰুণুলৈ আহিব ধৰিলে
সবিনয় শলাগৰ শৰাই,
সা[illegible]দেন ফুলৰ কবিতা।
আৰু শিল্পীলৈ …
[illegible]দেৱ বুলি ঈৰ্ষাপূৰ্ণ দুই এটি নমস্কাৰ !
লগে-লগে
লাহে লাহে ……
ৰুণু আৰু শিল্পীৰ হৈ নেথাকিল,
আঁতৰি যাবলৈ ধৰিলে,

অন্তৰৰ পৰা ······ পলাল ।
শিল্পীয়ে বুজিলে,
সকলো গম পালে,
লগতে পৰিচয় পালে জগতখনৰো :
কিন্তু একো নকলে ।
নিস্বাৰ্থ শিল্পী বুলি মানি লৈ,
বাস্তৱৰ উপহাস আৰু
ভাগ্যৰ পৰিহাস
মূৰত টোপোলা বান্ধি লৈ
ঘৰ আৰু সাধনা এৰি ওলাল ······ ।
উদাসী আৰু প্ৰবাসী হ'ল ।
তেওঁ কিন্তু ভাবৰ বাল্মীকি হব নোৱাৰিলে ;
বেদনাৰ বলিয়াহে হ'ল ।
ভগা বুকুৰ সুৰুঙাৰে
ব্যাধিৰ বীজাণুও সোমাল ······ ভিতৰলৈ ।
জীৱনৰ অকাল সন্ধিয়াত শিল্পীয়ে
'মোৰ শিকোৱা গান' বুলি
চোচৰি-বাগৰি,
শেষ হেঁপাহেৰে শুনিবলৈ গ'ল
কণুৰ ······ ঘৰত ।
কণুৰ অন্তৰে বুজিলে,
চকুৰে চিনি পালে ;

হাত দুখনে কিন্তু
হস্পিটেলৰ বেমাৰী বুলি……
দুৱাৰ জপাই দিলে ।
এইখিনিলৈকে পুনৰালোচনা কৰাঁ ।
কাক সমৰ্থন কৰিবা ?
ৰুগ্নক নে শিল্পীক ?

*　　*　　*

বসন্ত কালৰ সেই……
ঘটনাটো উল্লেখ কৰাঁ
দৰ্শনৰ অধ্যাপকক ফাঁকি দি,
ইতিহাসৰ জনৰ তাত প্ৰক্সি দিয়াই,
অসমীয়াৰ জনৰ পৰা
খাতিৰত …… লৈ,
বৰদলৈৰ ড্ৰইংৰুমত
হাজৰিকাৰ পৰা চান্স (সুযোগ) আদায় কৰি,
ৰীণা আৰু ৰহমানৰ
আঠ পিৰিয়ড শব্দহীন …… বৈঠক !

*　　*　　*

তাৰ পিচত ……
বাছনি পৰীক্ষা দি উঠিয়েই

ৰীণা হ'ল কেন্দ্ৰ কৰ্মচাৰীৰ
সুযোগ্যা পৰিণিতা।
আৰু ৰহমান ······
ৰাজধানীৰ আলহী :
মূল বিষয়-বস্তু বিকৃত নকৰি
দৰ্শনমূলক এটা
চমু প্ৰবন্ধ লিখাঁ।

*　　*　　*

মনত পৰেনে সেই ····· তুপবায়াৰ ঘটনাটো?
ইমান ধন কিহত খেদিলে ?
নামত দেখোন চৌদিশ ফাটিছে!
পৰিকল্পনাৰ ধন
আমাৰেইতো হাড়ৰ গুৰি,
তেজৰ পানী!
পিচে বুঢ়াই
ভুমুকি মাৰি হুঁহকি আছিল কিয় ?
চকু মোহাৰি বাটলৈ ····· আছিল ?
এবাৰ ভাবে চুমাতেই শেষ ঃ
আকৌ ভাবে, আৰম্ভনিহে সেইটো!

*　　*　　*

মুঠতে তেওঁৰ আৰু ঘৰ চোৱা নহ'ল !

এৰা ! ইতিহালে এয়া····· মুকলিহে কৰিছে ।
বুঢ়াৰ মনৰ নিৰুপায় প্ৰবোধ ।
অসমাপ্ত ৰাজ্য ······ গৃহত সেয়া
কোনোবা জনৰ সম্বৰ্দ্ধনাৰ উদ্দেশ্যে
অভিনয়ৰ অথবা নে
ছুটীৰ ঘণ্টাত
আউটড'ৰ ক্লাচৰ (বহিঃ শ্ৰেণীৰ)
দ্বৈত পঠন ?
টিউটৰিয়েল ক্লাচৰ
হ'ম ৱৰ্ক বুলি ভুল নকৰিবা !
প্ৰকৃত বিষয় বস্তু লৈ এখন লঘুৰচনা লিখা ।
বাল্য প্ৰেমত
অভিশাপৰ সাৰ্থকতা ক'ত ?
বয়সৰ সমীকৰণতে ভুল যদি,
তাৰো টীকা লিখা !

* * *

প্ৰেম-পৰিণয় আৰু
দাম্পত্যৰ পাৰিপ্ৰেক্ষিতে
প্ৰেমিকৰ অনুমতি ক্ৰমে
মেনকাৰ কৰ্ম সন্ধানৰ জয়যাত্ৰা ;
আৰু তাতে কৰ্মদাতাৰ······মহলত

সঙ্গীত-মুখৰ (এনিশা) অতিথি বাস !
এই প্ৰেমৰ কালসাপেক্ষ
বৈশিষ্ট্য নিৰ্ণয় কৰা ।

*　　*　　*

বুৰঞ্জীৰ এইবোৰ প্ৰশ্নৰ উত্তৰ···
নিৰপেক্ষ আৰু পোনপটীয়া হোৱা উচিত ।
আমাৰ ওপৰত ভৱিষ্যতৰ
সৰ্ববিধ পূৰ্ণ দায়িত্ব,
সকলো জটিল কৰ্ত্তব্য······আৰু
বৰ্তমানকো বিভ্ৰান্ত নকৰিবা
অনাগত কালৰ প্ৰকৃত ছবিৰ আভাস দিয়া
বুৰঞ্জী······সাৰ্থক হ'ব ।

প্ৰিয়া তুমি আকৌ গাভৰু হোৱা

চৌকা ?
নহয় !   এইয়া
চিতাশালৰ কাষত তোমাৰ বাসস্থান

*   *   *

জুইৰ তাপত ……
যৌৱনৰ কান্তি আৰু কমনীয়তা
ম্লান, পাণ্ডুৰ আৰু অনাকৰ্ষণীয়।
চকু, কেৰাহী আৰু
ঢেকীৰ মাৰ্গ সঙ্গীতৰ
সুললিত সুৰত
তোমাৰ শ্ৰুতিবিলাস
সুপ্ত আৰু লুপ্ত !
ছাগলীৰ খেয়াল,

পাৰৰ ভজন,
কাঁহী-বাটীৰ পূৰবী আৰু
গাই-গৰুৰ ভাটীয়ালীত
তোমাৰ হেঁপাহৰ সঙ্গীত-প্ৰীতিৰ চিৰ-উচ্ছেদ

*　　*　　*

সমুখৰ বেৰ আৰু
ওপৰ চাঙৰ এলান্ধুৰ
সহজ চিৰ-কৃষ্ণ ৰূপৰ চটকত
তোমাৰ চকু অনুৰাগহীন আৰু উদাস

*　　*　　*

ৰান্ধনী-ঘৰৰ ফেক্টৰী (কাৰখানা)ৰ
কুটীৰ-শিল্পজাত সেই বহুমূলীয়া
(বিনামূলীয়া ?)
তোমাৰ পাউডাৰবোৰৰ গাত
(বজাৰৰ পিঠা-গুৰি আৰু চূৰ্ণ-মাখনৰ নহয়)
যাউতিযুগীয়া বে-দখলি !

*　　*　　*

বিহু আৰু পৰ্বোপলক্ষে
অতীতৰ (গাভৰু কালৰ) সেই

মিতিৰ বিচাৰি অন্ত
প্ৰসাধনৰ সামগ্ৰীবোৰে
তোমাৰ মঞ্জিয়াত সত্বাখিনিকে হেৰুৱায় !
বুঢ়ীলৈ কেলেই বুলি
আছিঁ তুমি সামৰি থোৱা ।
আইৰ ঘৰৰ ড্ৰেচিং টেবুল
ভৱিষ্যতৰ ··· মাক-বাপেকৰ বিয়ালৈ (বুলিনে জানো !)
যাদুঘৰৰ সম্পদ কৰা,
লুকুৱাই ৰাখা !
আৰু নিজে তুমি ··· ···
মাহেকে-পষেকে
হাতেৰে খেপিয়াই
মূৰত বিন্ধা দিয়া ;
বিন্ধাৰ আগত কাছ সৰে !
গা-ধোৱা চাবোন তোমাৰ
সদায়েই কাউৰীযে নিয়ে ;
মলুৱা কাইৰ দোকানৰ
ভেকুৰা চেঁচাৰে মূৰ ধোৱা
(কলাখাৰৰতো সমাধিয়েই হ'ল) ।

*   *   *

(এইবাৰ স্নাতক পৰীক্ষা দিবলৈ ওলোৱা)

সোণৰ জন্মৰ......
প্ৰসূতি ঘৰতে জুৰি লৈ
প্ৰতিবাৰতে অলপ অলপকৈ কৰিথকা
হাতমোজাযোৰ—
বোৱাৰীয়েৰাই কৰি অটাব,
আৰু নাতিয়েৰাই পিন্ধিব দিয়া !

*   *   *

ইফালে আকৌ কামত তুমি ভোচৰা,
এলাহৃত বাগৰা,
বেলিৰ পিচে পিচে খেদা !
কথা হবলৈ তোমাৰ আজৰি নাই,
হাঁহি-ধেমালিৰো বয়স অতীত !

*   *   *

মোক কিন্তু লাগে
ৰূপে-ৰসে-সুঘ্ৰাণে-ভৰা
এখন ৰঙীন পৃথিৱী।
(জয়শ্ৰীৰ ৰূপালী পৰ্দাৰ
সোণালী ছবি চাই দিন আৰু নেযায়।)
মোৰ মনে বিচাৰে ৰূপহী গাভৰু।
কাঁচৰ তলত চেপেটা লাগি

দেৱালত ওলমি থকা
(যিখন চাই আঙঠি পিন্ধাবলৈ গৈছিলো,
এতিয়া মকৰাই যাৰ ওপৰত জালবান্ধি পহৰা দিয়ে ।)
সেই ফ্রেমৰ-কইনা দেখি
মোৰ মনে আৰু প্রবোধ নেমানে !
জীৱন্ত গাভৰু বিচাৰে ।
ভিতৰত বিচাৰি হতাশ হৈ
বাহিৰত লোকৰ বিচাৰি যায়,
ষোড়শী খেদি ফুৰে !
নিৰুপায় হৈ
আই-মাহী বুলি
ওচৰলৈ মাতি……
মৰম কৰি হেঁপাহ পলুৱায় ।

*　　*　　*

অন্তৰ বিদৰি যোৱা এই মানবী জীৱনৰ
দাৰুণ বেদনা……
প্রিয়া তোমাক কাবৌ কৰিছোঁ,
মোক এই আকুল হেঁপাহৰ পৰা
তুমি আৰু বঞ্চিত নকৰিবা !
মোৰ কাৰণে তুমি আকৌ গাভৰু হোৱা

স্বাগতমহে অনাগত নাৰী বিপ্লৱ!

মধু-সঙ্গিনী!
এটা নতুন শতাব্দী...... ।
তোমাৰ স'তে মোৰ
তীব্ৰ বিৰোধৰ দিন অনাগত
কিন্তু অদূৰ সমুখত ।

*　　*　　*

সুস্থ সৰল আৰু ঐক্যবদ্ধ
সৰস মুক্ত পৃথিবীৰ কাৰণে
এই বিপ্লৱ আমাৰ
অপৰিহাৰ্য্য আৰু চিৰকাম্য!
কিন্তু ইতিহাসৰ ভুল বিশ্লেষণ,
অভিজ্ঞ 'থেচিচ'ৰ অনুপস্থিতি
আৰু সহিষ্ণুতাৰ অভাৱত

তোমাৰ পথৰ ভুল হবও পাৰে।

*   *   *

বিপ্লৱোত্তৰ সমাজত
অসহযোগী দৰ্শন আৰু
শিথিল দাম্পত্যৰ
এটা বিৰাট অধ্যায়······
অৰ্থ-নৈতিক স্বাৱলম্বিতাৰ
গৌৰৱ, আত্মপ্ৰসাদ আৰু
অহমিকাত
তোমাৰ আৰু মোৰ মাজত
প্ৰতিযোগিতা আৰু প্ৰতিদ্বন্দ্বিতা······
ইন্দ্ৰিয় বাসনাৰ তাড়নাত (শুভকামনাত ?)
তোমাৰ আৰু মোৰ জীৱনৰ
একাধিক আৰু অস্থায়ী যৌন-চুক্তি !
অনৈতিহাসিক যুগৰ
মাতৃপ্ৰধান সমাজৰ পুনৰাগমণ······
(এটা নতুন ৰূপত, পাশ্চাত্যৰ দান স্বৰূপে নহয়,
অসৰ্তকতাজনক ভ্ৰান্তিৰ হেতুকে
যি কোনো জাতিৰে প্ৰাপ্য ৰূপে) !
এইবোৰ তোমাৰো কাম্য নহয়
আৰু মোৰো······ !

(মোৰ বোধেৰে)
তোমাৰ বিপ্লৱৰ উদ্দেশ্যও নহয় তেনে।
পৰিস্থিতিৰ বাধ্যবাধকতাত অৱশ্যে আমি
বহুতো কিবাকিবিয়েই চলাই দিওঁ
জেদ আৰু লাজৰ খাতিৰত ;
এইটো স্বভাব জন্মৰে পৰা
মোৰো আছে আৰু তোমাৰো ..... !
আৰু আত্ম-প্ৰবঞ্চকৰ জাতি বুলিয়েই
কোনো প্ৰকাৰেই স্বীকাৰ নকৰোঁ
কোনো কালতে ;
কেৱল ইতিহাসে হে যি সাক্ষী কয়
প্ৰতিবিপ্লৱোত্তৰ যুগত।

*   *   *

আমাৰ বিপ্লৱোত্তৰ তিক্ত অভিজ্ঞতাৰ
সেই শতাব্দীৰ পিচত
(ধূমকেতুৰ শতাব্দীত)
মীমাংসাও অৱশ্যে আহিব আৰু
শান্তিৰ পুৰ্ণগঠণো অনিবাৰ্য্য ।
কিন্তু তোমাৰ আৰু মোৰ
চিৰ অনভিপ্ৰেত সেই
ক্ষতিৰ বিৰাট অধ্যায়

একৰাই যাবলৈ
পন্থান্তৰ জানো আমাৰ নাই ?
আছে !
তাত তোমাৰ আৰু মোৰ মাজত
প্ৰয়োজন কেৱল পাৰস্পৰিক বুজাবুজিৰ ।
সাৰ্বজনীন মঙ্গলৰ উদ্দেশ্যৰ পৰিপ্ৰেক্ষিতে
মোকো গ্ৰহণ কৰা
তোমাৰ বিপ্লৱৰ শক্তি ৰূপে
নাইবা সমৰ্থক হিচাবে ;
মোৰ নেতৃত্ব বিপ্লৱটোৰে নীতি-বিৰুদ্ধ ।
নাৰী নেতৃত্বৰ অৱশ্যে মই
বিৰোধিতা কৰা নাই ।
কৰাৰ উদ্দেশ্যও নাই ।
মোক মাথোঁ লাগে
তোমাৰ আৰু মোৰ
উমৈহতীয়া আৰু সাৰ্বজনীন
ন্যুনতম কাৰ্য্য-সূচী এখন ।
তাৰ দ্বাৰাই মানৱ জাতিৰ
অপূৰণীয় ক্ষতিৰ বিৰাট অধ্যায়টো
একৰাই যাবলৈ দিয়া আৰু
তাৰেই গঢ়ি উঠক
আমাৰ মুক্তি-শান্তি-প্ৰগতিৰ

সুস্থ-সৌহার্দ্দ্যপূর্ণ
সমাজ-তান্ত্রিক জগৎ ।
আৰু অন্তৰত সেই .... লৈয়েই
স্বাগতম তোমাৰ, সেই
চিৰকাম্য অনাগত বিপ্লৱ !!!

পুৰুষ তুমি সহৃদয় হোৱা

পুৰুষ! তুমি
আদিম কালৰে পৰা
নাৰীক চাইছা কেৱল
ৰঙীণ বীত চকুৰে !
তোমাৰ কপটতা আৰু
দৃষ্টি-পঙ্গুতা মাথোঁ অনা
বীত চকু বিসৰ্জনৰ সময়
কেৱল উপস্থিতেই নহয়,
উকলেও প্ৰায় ।

* * *

বিবৰ্তনৰ অনেক ধুমুহা
নাৰীৰ ওপৰেদি·· ···গৈছে
মাতৃ প্ৰধান সমাজ পাতি

নাৰীক সন্তানৰ গৰাকী কৰি
খবৰহীন পিতৃত্বৰ
সুদীৰ্ঘ যুগ এটাত
বেচ আৰাম কৰিলা ।
মানৱ-মাতৃ নাৰীক
ভৰাল পাতিও এটা যুগ গ'ল ।
পিতৃ প্ৰধান সমাজৰ নাৰীক
কৰ্মব্যস্ত পুৰুষৰ
(স্বাৰ্থসন্দিহান নৰৰ)
আৰামৰ সামগ্ৰী আৰু
পানপাত্ৰ পাতিবলৈকো তুমি
কুণ্ঠিত হোৱা নাই ।
নাৰীৰ চেতনাৰ মহাজাগৰণৰ তুমি
নিষ্ঠুৰ দমনৰ কাৰণে
শাস্ত্ৰ-ভাগৱতকো
মাতৃৰ অস্পৃশ্য কৰিলা ।

*   *   *

ইতিহাসে কিন্তু আজি
তোমাৰ সেই সকলো চাতুৰ্য্য
দক্ষতাৰে ধৰা পেলাইছে,
পঙ্গুকৰি দিছে ।

তুমি অৱশ্যে এতিয়াও
লেখৰ সৰল ৰেখাৰ দৰে পোণ আৰু
ফটিকৰ দৰে স্বচ্ছ হোৱা নাই ।

*　　*　　*

যুগে কিন্তু তাৰ
ভীষণ পৰিণতিৰ
অনিবাৰ্য্য প্ৰতিশ্ৰুতি ঘোষণা কৰিছে ঃ
সমাজৰ সন্মুখত এটা
তীব্ৰ অশান্ত আৰু
অসম্পূৰ্ণ জীৱনৰ
পূৰ্ব জাননী ।
পুৰুষ আৰু নাৰীৰ
গোটেই সমাজখনেই
অপূৰণীয় সামূহিক ক্ষতিৰ সন্মুখীন ।
বিশ্ব-প্ৰগতি এটা
বিৰাট যুগৰ পিচ পৰহে আৰু…… !
বিপৰ্য্যয়ৰ সম্ভাৱনাও তাত ভয়ংকৰ !

*　　*　　*

গতিকে হে পুৰুষ !
তুমি ইমানতো তোমাৰ

ৰীতচকু বিসৰ্জন দিয়া ।
তোমাৰ ভিতৰ আৰু বাহিৰৰ
নীতি আৰু দৃষ্টিভঙ্গীৰ
সাম্য আৰু সামঞ্জস্য সাধন কৰা,
অন্ততঃ ঘৰ আৰু দাম্পত্যৰ খাতিৰত ।
নাৰীক তোমাৰ সম্পূৰক ৰূপে
(কাগজ-পত্ৰৰ অভ্যাস এৰি হাতে কামে)
উপলব্ধি কৰা আৰু
তোমাৰ নিজৰ দৰেই
আন্তৰিক মৰ্য্যদা দিয়া ।
তোমাৰ প্ৰেমেৰে আপাততঃ
সমাজতন্ত্ৰৰ পাৰিপ্ৰেক্ষিতে
প্ৰতিষ্ঠা কৰা গণতান্ত্ৰিক স্তৰ !
সমাজে পোহৰ দেখক
পূৰ্ব-জীৱনৰ ।

মহাশূণ্যৰ অভিযাত্ৰী লাইকা

লাইকা তুমি ?
মহাশূণ প্ৰথম পৰ্য্যটিকা,
প্ৰথম আবিষ্কাৰিকা মহাবিশ্বৰ।
চন্দ্ৰৰ প্ৰথম মহিলা (স্ত্ৰী ?) অভিযাত্ৰী !
এভাৰেষ্টৰ অপৰাজেয় টেনজিঙৰ বিজয়-গৌৰৱ
ম্লান তুচ্চ আৰু…… !
বিশ্বৰেকৰ্ড ভঙ্গ,
মহা জাগতিক বুৰঞ্জীৰ সূচনা !

*　　*　　*

কলম্বাচ, ড্ৰেক, কুক আৰু ইকেৰাচ ….. ।
মানৱ সভ্যতাৰ অধিপতি !
তোমাৰ কাৰণে
ভাতোকৈ বহু উচ্চাসন,

বাহ্য জগতত নহলেও
মানৱ অন্তৰত,
আজি নহলেও অনাগত কালৰ গৰ্ভত ।
অৱশ্যে আজিও...... !
প্ৰত্যাবৰ্ত্তন কৰিলে
বিজয়ৰ মালা
আন্তৰ্জাতিক অভিনন্দন
(দেশে দেশে ৰাজধানীত
ৰাষ্ট্ৰ দূতৰ উদ্যোগত
অতিথি সৎকাৰ)
আৰু কেনেবাকৈ
অভিযানৰ বাটত বিলীন হৈ গলে
দেশীয় আৰু আঞ্চলিক অন্ত্যেষ্টিক্ৰিয়া
(অস্থি, ভষ্ম বা প্ৰতীক আগতলৈ) ;
মাজনিশা নাফেন, ৰয়টাৰ আৰু
পি টি ৰ বাতৰি পৰিবেশন ।
দেশ আৰু জাতি বিশেষে
কৃতজ্ঞতাৰ সৌধ,
এটা স্মৃতি স্তম্ভ !
ই আমাৰ চিৰাচৰিত প্ৰথা !!

* * *

তুমি অৰণ্যে বিলীনেই হ'লা !
কিন্তু, আমি আত্ম-ব্যস্ত।
ইচ্ছা থাকিলেও হাত ঘৰীটো অবিৰাম…… ।
গতিকে তোমাৰ ক্ষেত্ৰতো
সেইবোৰ পিচত।

* * *

আৰু এটা কথা
আমাৰ অন্তৰত…… ।
তোমাৰ অন্তিম পৰত
প্ৰেমিকৰ হাতৰ পৰশ,
এফেৰি চাৱনি,
অথবা জন্ম আৰু জীৱনৰ শত হেঁপাহৰ
পিয়াহৰ পানী-এটুপিকে
পালানে ?
পোৱা নাই
তোমাৰ চিৰ-বিদায়ৰ
সেই নিষ্ঠুৰ মুহূৰ্তত তোমাৰ
(মাহেন্দ্ৰ ক্ষণত ?)
আজন্ম প্ৰেমিক জানো সজাগ আছিল ?
অথবা হ'লনে
তেওঁৰ বুকুত কিবা প্ৰতিক্ৰিয়া ?

তপত হুমনিয়াহৰ কথাও
বায়ুমণ্ডলে জানো
সাক্ষী কব পাৰে ?
আমি হলে নেজানো !
হয়তো তোমাৰো অজ্ঞাত ৰ'ল !
অন্তিমৰ ফুলশয্যা,
পুষ্পবৰ্ষণ
নিশ্চয় পোৱা নাই,
পৃষ্ঠপোষকৰ কিম্বা প্ৰেমিকৰ হাতৰ !
সেইবোৰো থাওক ।
শতাব্দীৰ পিচত
কোনোবা দৰদীয়ে
ডক্টৰেট লাভ কৰিব !

* * *

আমাক কেৱল লাগে
মহাশূণ্যৰ ক'ত কি বাধা,
মহাজাগতিক ভ্ৰমণৰ কোন পৰ্য্যায়ত প্ৰাণৰ সংশয় !
অম্লজান······যৰক্ষাৰজানৰ
অভাব কিমান ?
কোন মণ্ডলত মহাবিশ্বৰ কোন সময়ত
তাপ আৰু শীত আৰু

বায়ুৰ চাপ কিমান ?
প্ৰয়োজন আমাৰ আচুতীয়া······
নিজা ····· ঃ

*　　　*　　　*

তোমাৰ এই উৰ্দ্ধগতি ·····
পিচলৈ ···
বহুতৰ অনুসৰণ ,
আগৰ দৰে ·····
একেদৰে······
এদলৰ তাত আৰু অসমৰ্থন ;
আন দলৰ তাত
অসমৰ্থনত আৰু সমৰ্থন ·· ··
যুক্তি আৰু শক্তি······
তেওঁৰ কথাটোলৈ।
চন্দ্ৰক চেৰাই
সূৰ্য্যক প্ৰদক্ষি,
শুক্ৰ শনি পিচপেলাই
সৌৰ······ অতিক্ৰম কৰি,
তৰাৰ দেশত বিচৰণ কৰিও
সেই একেই ডাঠ নীল ;
নীলৰ ধোৱাঁত

কৃষ্ণ পুত্তলিকাৰ
ছাঁট কৰে বিলুপ্তি,
সত্বাৰ লয়,
পোহৰ কণাৰ বৈশিষ্টাৰো অন্তৰ্দ্ধান
তাতো আৰু তেতিয়াও
তেওঁ সমৰ্থিত আৰু অসমৰ্থিত
একেদৰেই ।

*   *   *

ইয়াৰো প্ৰয়োজন বোধৰ আজৰি
আমাৰ আৰু নাই :
আমাৰ ইয়াত মাটি তাকৰ !
পানী,
বতাহ
আৰু আকাশ লৈও হাইকাজিয়া,
নৰহত্যা !
অৰ্থ সংকট আৰু
দুৰ্ভিক্ষৰ পৃথিৱী গ্ৰহণে
বছৰটো যে এৰিবই নোখোজে ;
আলিবাট আৰু বাতৰি কাকতত
বেকাৰ সমস্যাৰ শোভাযাত্ৰা :
টেলিভেছন (বেতাৰ চিত্ৰ)ত সজাতিদল :

ইন্‌কিলাব জিন্দাবাদ !!!

*　　*　　*

নৈতিকতাৰ কুসংস্কাৰ······
কেউদিশ জুৰি আৰু······
বতাহ খিনিও বিষাক্ত ।
হেনা আৰু গোলাপৰ
সৌৰভ আৰু সুঘ্ৰাণৰ সন্ধান
দুৰূহ ;
বিয়াল্লিচৰ ····· বজাৰৰ
নিমখত কৈয়ো দুস্প্ৰাপ্য আৰু দুৰ্লভ্য ।
আমাৰ ইয়াত যৌৱনৰ প্ৰেম নিবেদনৰ ··
কাব্যময় পৰিবেশৰ
এডোখৰি নিৰ্জন ঠাইৰো মহাৰ্ঘ ।
গাৱঁৰ চুৰাতনি,
চহৰৰ দলনি-পিতনি আৰু
মহানগৰীৰ কুকুৰনেচীয়াৰ··· উলুৱনি
সকলোতে শূন্যৰ উদ্যান (পাৰ্ক)··· ।
মূৰ গুজিবলৈ এচিকুটো ··· নাই ।
হৰিজন উচ্ছেদ আৰু ভগনীয়া সংস্থাপনৰ
বিৰামহীন অভিযান ।
বহিবা কত ?

আৰু যাবানো কলৈ ?
পলোৱাই বা কেনেকৈ ?
হিংসাৰ চকু
অলেখ তৰা জিলিকে !
চিভিল মেৰেজেও আশ্ৰয় দিব নোৱাৰা হয় ;
বিচাৰকে ওঠৰ বছৰ বিশ্বাস নকৰে
মাক-বাপেক অনুপস্থিত বুলি ।

*　　*　　*

আমাৰ পৃথিৱীৰ…
এটম বোমাৰ বিস্ফোৰণত
কবিৰ … সাগৰ উঠি আহি
মৰুভূমি হয়,
ৰাজনীতিৰ হিমালয় গঢ়ি উঠে,
চিত্ৰকৰৰ তুলিকা খৰখৰীয়া হয় ।
হোৱাইট হাউচ (শ্বেত গৃহ)ৰ সন্তান
গাওঁৰক্ষীৰ ভয়ত
(শান্তি ভক্ষকৰ ত্ৰাসত ?)
ব্ৰহ্মা, নাৰদ, কোনো নোলায় :
থাকী বিষ্ণুৰ হাতত ……
যিমান বেজী সৰকাওঁতা
অঘাইত ৰত্নাকৰ……

কিন্তু, মহাভাৰতৰ বাল্মীকি হব নোৱাৰে ।
সিহঁত নিজে অৰণ্যে বীৰ পহৰাদাৰ ;
বাৰ্ষিক বঁটাৰ গৰাকী !
আৰু,
আৰু বহুতো······ ।

* * *

সেয়ে এটা চূড়ান্ত সিদ্ধান্তৰ কাৰণে
আমি পৃথিবীৰ (নিপীড়িত) অধিবাসী
অস্থিৰ আৰু ব্যাকুল ।
(সমবায় বা যৌথ, যিকোনো ভিত্তিত)
চন্দ্ৰত বি-ফৰ্ম দিবলৈ উদ্বিগ্ন ।
তোমাৰ বেতাৰ সংকেতৰ বিশ্ৰাম······নহয় যেন ।
অবিৰাম আগ জাননী দিয়া
অপায়-অমঙ্গলৰ,
আমাক লাগে গ্ৰহান্তৰ
আৰু তুমি হবা মানুহৰ মহাত্মা !

তোমাক পাই হেৰুৱালো ঃ অভিশাপ দিয়া

তোমাক……পাইছিলোঁ ঃ
যৌৱনৰ সুবহল মজিয়াত
বৰপিৰাখনৰ কাষ চাপিবলৈ পাইও
ককালখন ননমালোঁ ঃ
নগা-খাচী গিৰি-গাভৰুৰ……
কপাহৰ… দৰে
তোমাৰ অভিসাৰভৰা আঙুলি আহি
মোৰ ব্যাকুল হাতত … পৰশ দিছিল
মই কিন্তু জন্মগত ভুলত
সচকিতে হাতখন টানি আনিলোঁ ;
থাপমাৰি মুঠিত লৈ তোমাৰ……
কোমল উপভোগ নকৰিলোঁ ।
প্ৰেমৰ সাদৰ আলিঙ্গনেৰে
আবেগে বুকুত সাৱটি লৈ

গোলাপী গাল দুখনি
এবে বাট হেঁপাহৰ চুমাৰে
কপৌ-ফুলীয়া ৰঙা কৰি কৰি
প্ৰমোদৰ চন্দন গিৰি বিচাৰি নগলোঁ।
চিল্কৰ বৰফ ঠেলি উঠা
ঊৰ্দ্ধগতিৰ গিৰিশৃঙ্গৰ তোমাৰ
কোমল আৰু উমৰ
প্ৰথম আবিষ্কাৰকো মই নহলোঁ।

*　　*　　*

তোমাৰ তেজৰ আহ্বানে
(সহাঁৰি নেপাই) অৱহেলাত
নীৰৱ হৈ গ'ল ।
আৰু মোৰ কাপৌকযৰ শিকাৰত
গোটমাৰি ক'লাপৰি
বাতৰ জন্ম দিলে ;
বাটৰ পৰা পিচলি গৈ
বঞ্চনাৰ খালত পৰি মই
মাতি আনিলো যন্ত্ৰণাৰ সজাগ নিশা ।
হাত ঘড়ীটো কিন্তু জন্মৰে...... অবিৰাম
তুমিও মৰ'লা ।
অপ্ৰতিবাদে চৰ্তহীন বিক্ৰী মানি ল'লা ।

আত্ম-বঞ্চিত মই অনুতপ্ত ধিক্কাৰেৰে
কেৱল নিৰ্বাক চিত্তে চাই থাকিলোঁ।
হীন পৰাজয়,
বৰ্বৰ আত্ম-সমৰ্পণ !

*　　*　　*

মোৰ এই কাপোৰুষক তুমি
ক্ষমাহীন অভিশাপ দিয়া।
ভুলৰ ক্ষতিপূৰণ নাই,
আকৌ বঞ্চিত হ'ম !
পুনৰ্জন্মৰ প্ৰবোধ মোক নেলাগে !

প্ৰণয়ন লাগে ঃ মনৰ

সৃষ্টিৰ জাৰজ-মুহূৰ্ত ....
গণিকাৰ প্ৰস্তাৱ ....
কাৰ ?
তুমি পুৰুষ নে নাৰী ? .....
এটা তীব্ৰ প্ৰতিবাদত
সমাজে প্ৰতিকাৰ সাধিলে
বহু ...... প্ৰথা ।
তাৰো বিদ্ৰোহ হ'ল ।
বহু ...... প্ৰচলন আইনে বান্ধিলে ;
স্বীকৃত হ'ল কিন্তু ৰক্ষিতা (আৰু
আমাৰ ইয়াত আগলৈ
পুষ্যা আৰু পৃষ্ঠপোষিতা) ।
তাতো প্ৰতিক্ৰিয়াৰ সবল জুমুৰি ঃ
পশ্চিম আজি ব্যৰ্থ ;

হতাশ চকুৰে পূবলৈ চায়।
আজি কিন্তু ক্রমবর্দ্ধমান প্রবল গতিত
সঘন ······ বিচ্ছেদৰ বতাহজাক
আমাৰ ইয়াতো ·· ··· ।
সিফালে বাধাৰ হিমালয় অতিক্রম কৰি
আমাৰ ইয়াত
লাল বতাহো প্রবহমান !
সমাধান কিন্তু
সন্তৰ জানো
কেৱল তাৰেই ?

*　　*　　*

বাসনাৰ ইন্দ্রজালৰ
কামনাৰ বাক্যবাণত জন্ম দাসত্বৰ ।
বহুদিনৰ পিচত
দান আৰু অর্থৰ বিনিময় আৰু
পূণ্যৰ আশাত,
স্বর্গসুখৰ প্রতিশ্রুতিত
সিহঁতৰ······মুক্তি,
পুনৰ পূর্ব জীৱন ।
চকু পচাৰতে
শ্রমিক বন্ধুরা সর্বহাৰাৰে

পৃথিৱী অকুলন ।
কেৱল শাসক আৰু শোষক……
হাঁহি আৰু কান্দোনৰ মিশ্ৰ সংগীতে
আকাশ মুখৰ ।
বাৰ্লিনৰ আকাশত
ৰক্ত গ্ৰহৰ ভ্ৰূণ ;
লণ্ডনৰ পুথিভঁৰালত পুষ্টি সাধন আৰু
ৰুছৰ মাটিত মূৰ্ত বিকাশ :
পূব আৰু পশ্চিম সবিস্ময়ে প্ৰদীপ্ত ;
আমাৰ ইয়াতো …..প্ৰতিফলন ।
অখণ্ড আকাশখনেই আজি
সৰ্বহাৰাৰ একনায়কত্বৰ
লাল সুৰুয বুকুত পাই
নিঃপীড়িত ধৰণীক
চিৰপ্ৰদীপ্ত কৰিব খোজে ।
বাটত কিন্তু ৰাহুৰ প্ৰতিসংগ্ৰামত
এটমৰ জন্ম । …..
পোন্ধৰ মিনিটতে নাগাছাকি-হিৰোছিমাই
মানৱ-সভ্যতাৰ বুৰঞ্জীৰ পাত লুটিয়ায়,
নতুন ৰচনা লিখে
তেজৰ বোলেৰে ;
মস্কো আৰু ওৱাছিংটনক কেন্দ্ৰ কৰি

নৰকঙ্কালৰ সমদলে
শোভাযাত্ৰা কৰে
হাতত শান্তিৰ স্মাৰক-পত্ৰ লৈ ;
ক্ৰেমলিন আৰু হোৱাইট হাউচৰ প্লেটফৰ্মত সিফালে
উদ্‌যান-নিউক্লিয়াৰ ···· বোমাই
ৰকেটযাত্ৰাৰ বুকিং বিচাৰে
সমস্বৰে ।

*   *   *

হুলেহে হুল কাঢ়ে ;
সঁচা হলেও হাঁহি উঠে শুনি ।
হুল আৰু প্ৰতিহুল
সৰ্বদিশ বিয়পি, আৰু
আমাৰ পৃথিবী আজি বহুল চালনি ;
শিলগুটিহে সৰকে ;
শান্তিৰ অথৰাত
চাউল······ওপৰতে পিঠাগুৰি হয় আৰু
বলি হয়······পৰখকাৰ্য্যৰ ।
সত্বাহাৰা বিকৃত চাউলৰ খুদ-কণাৰ
বেদনা আৰু অভিযোগৰ কোৰাচে
ৰাষ্ট্ৰসঙ্ঘৰ মাউথ-পিচত স্পন্দন জগাব নোৱাৰি
বৈ-বৈ ভাগৰে ;

ভাগৰি ৰয়,
আকৌ ভাগৰে ;
ক্লান্তি শেষত
শান্তিৰ বাটোৱাৰাত
সম্পদ হয় বীৰৰ ।

*   *   *

এইবোৰৰ সমাধান কেতিয়া ?
শান্তি-প্ৰগতি-সভ্যতাৰ নিয়ন্ত্ৰণত
আইন সদায় ক্লান্ত,
চিৰপৰাজেয়,
নিত্য নতুন পৰিবেশ আৰু
নতুন ৰূপত !
পথ মাত্ৰ
এটা আৰু অদ্বিতীয় ;
আন্তৰ্জাতিক প্ৰণয়ন লাগে
আইনৰ নহয়, মনৰ ।

আলিবাটৰ গাভৰুলৈ ঃ এটি আহ্বান

আৰুনো কাক বিচাৰি……
আলিবাটৰ গাভৰু তুমি ?
মোৰে উদ্দেশ্যে তুমি,
প্ৰবাসিনী, পথচাৰী উদাসিনী ।
অঘৰী নোহোৱা অথবা
পথ ভ্ৰষ্টাও নোহোৱা তুমি ;
কেৱল প্ৰেমৰ অভিযাত্ৰী,
লক্ষ-কোটি বাধা-বিঘ্নৰ প্ৰতি
নিৰ্ভীক চিত্তে ।
তোমাৰ উদ্দেশ্য, যাত্ৰা আৰু পথ
সঠিক, বিশুদ্ধ আৰু নিৰ্ভুল ;
কেৱল গতিৰ ছন্দতহে কিঞ্চিৎ ব্যতিক্ৰম ঃ
তোমাৰ হাতৰ আঙুলীৰ কোমলত
মোৰ… স্পৰ্শৰ অভাৱ ;

কোমলে কোমল বুলি
গৌৰৱ ঘোষণা
কৰিব পৰাই নাই ।
তোমাৰ আঙুৰগুটীয়া ওঁঠে·······ওঁঠৰ অভাৰত
অকণো পৰিপক্কতা পোৱা নাই ;
তাত প্ৰেমৰ নীল জিলিকি নুঠে ।

* * *

তোমাৰ গোলাপী গাল দুখনি
বিশ্বকৰ্মাৰ কাৰখানাৰ ·····
সদ্যজাত হৈয়ে আছে ;
মোৰ······ অভাৱত···
তেজৰ ডোঙা বান্ধি,
গোটমাৰি,
কপৌফুলীয়া ৰঙা হৈ উঠা নাই ।

* * *

তোমাৰ চকু হেঁপাহ চঞ্চল ;
তাত তৃপ্তিৰ মাদকতাৰ লেশমাত্ৰও নাই
কেৱল মোৰ ·····পৰশৰ অভাৱত ।

* * *

তোমাৰ সগৰ্ব উন্নত বুকু
মিলনৰ উদ্বাউল স্ফীতি হীন,
নিশ্চল-অচল-স্থিতিশীল.
প্ৰেমিকৰ······দানৰ অভাৱত আৰু
তোমাৰ অন্তৰ
অনিৰ্দ্দিষ্ট কামনাৰে ভৰা ;
তাত সৃষ্টিৰ বাস্তৱ যোজনা নাই ।

* * *

তোমাৰ জীৱন,
যৌৱন, সৌন্দৰ্য্য আৰু প্ৰেম
একোতে আজি পূৰ্ণতা আৰু
সাৰ্থকতা নাই ।

* * *

তোমাৰ আৰু মোৰ মাজৰ···
সম্পৰ্ক সহজ ।
মোৰ তেজে তোমাক মাতে,
আৰু তোমাৰ ·· মোক
আমাৰ এই ··· আহ্বান
উমৈহতীয়া, একেটা আৰু
অদ্বিতীয় ·

সৃষ্টি প্ৰসূ মিলন
সাৰ্থকতাৰ শীৰ্ষ বিন্দুলৈ

* * *

তথাপি তোমাৰ এই চলনাকুল ভঙ্গিৰ
দ্বিধা কিয় ?
সন্দেহৰ কুঁৱলী এতিয়াই আঁতৰি যাব ;
প্ৰত্যক্ষ দৰ্শন দিব
হিমালয়ৰ ধৱল শিখৰে ;
লগে-লগে হবা তুমি
মানৱ জীৱনৰ সৰ্বাধিকাৰিণী,
পূৰ্ণ প্ৰাপ্তা সৰ্বলব্ধা ।
কেৱল তোমাৰ যৌৱনৰ মদিৰাভৰা
প্ৰেমৰ ফটিকাটুপি
মোৰ হাতত সাগ্ৰহে তুলি দিয়া ।
পূৰ্ণতাৰ মহানন্দ আৰু
সাৰ্থকতাৰ গৌৰৱত তুমি
নিজকে পাহৰি মোৰে সৈতে
বিভেদ-বিস্মৃত সুৰে
গাবলৈ লবা মিলনৰ অভেদ সঙ্গীত ;
তাতেহে তোমাৰ গতি আৰু পথ

তোমাৰ এই সন্দেহ-বিপন্ন ভৰি
সঘনে ডাঙা ;
বেলি প্ৰায় শীৰ্ষ বিন্দুত ;
এইয়া মোৰ পদূলি,
এইখন মোৰ বহল হিয়াৰ শীতল মজিয়া ;
তুমি মাথোঁ মোৰ পৃথিৱীত
প্ৰেমৰ সহচৰী ৰূপে
এৰাতিৰ আলহী হোৱা ।

পশ্চিম আজি বৈছে উভতি

গতিশীল সৃষ্টি ।
কালৰ সৃজনী গৰ্ভত
মানুহক লগা হ'ল ক্ৰবিকাশ,
ক্ৰমোন্নতি আৰু প্ৰগতিও ।
কামনাৰ যৌথ-প্ৰয়াসত কিন্তু
পুৰুষ আৰু নাৰীয়ে
কৰি পেলালে ভুল আৰু
ঘটালে বিপৰ্য্যয ;
পৰিবৰ্তন বিচাৰি ওলাল
সৰ্ব আৰু প্ৰতি দিশৰ ।
সত্তাৰ দিলে ভুল বিশ্লেষণ আৰু
মূলনীতিৰো বিচাৰিলে পৰিবৰ্তন ।
অভিযানৰ গৌৰৱ আৰু
আত্ম-প্ৰসাদত

মানুহে পাহৰি পেলালে
নিজক আৰু
আত্মাক কৰি ললে
ইচ্ছাৰ দাস।
ইচ্ছাৰো বা গতি কলৈ,
সিও অনিশ্চিত।
পৰিণামৰ তমসাই কিন্তু
এবাৰ, দুবাৰ ..... বহুবাৰ
দশোদিশ গ্ৰাস কৰি ললে:
শ্ৰম-শিল্পী-সৃষ্টিকামী
পুৰুষ আৰু নাৰী,
সতী-সাধ্বী-প্ৰেমিকা হ'ল
বঞ্চিত আৰু আত্ম-প্ৰবঞ্চিত;
হেৰাই গ'ল জীৱনৰ অধিকাৰ।
মানুহ আৰু আত্মাৰ মুক্তিৰ বাবে
ত্ৰাতা আহিল একাধিক,
পোহৰ দেখিলে জগতে বহুতোবাৰ;
মানুহ কিন্তু ঘূৰি-ঘূৰি সেই
একেটা ভুলৰ বেহুত...... ।
শেষ সিদিনাও
মৰুভূমিৰ পোহৰত
পৃথিবী আকৌ প্ৰতিভাত হ'ল;

পৰিশুদ্ধি আৰু প্ৰগতিৰ সমযোগিতা
কেউ দিশ জুৰি······আৰু তাতেই
পলমে চেকুৰ লোৱা পশ্চিমে ললে
ভুলৰ পদক্ষেপ।
গতিৰ মাদকতাত
নিজৰটোকে সিদ্ধ সঠিক আৰু
সৰ্বশুদ্ধ বুলি
ঘোষণা কৰিলে :
অনুগামীও কৰিলে
বহুলাংশক আমাৰ······ঘৰৰ।
প্ৰতিযোগিতাত কেউফাল মিলি
পূৰ্বদৰ্শন জোকাৰি পেলালে
এটা নতুন পোৱাৰ আত্মানন্দত ;
পূৰ্বযুগ ব্যৰ্থ হ'ল,
নতুন······ আহিল,
প্ৰধান হ'ল অৰ্থ।
মানুহ, আত্মা আৰু······
দৰ্শনে পালে অভিনৱ সজ্ঞা,
নতুন ব্যাখ্যা আৰু নৱতম বিশ্লেষণ।

*　　*　　*

স্বয়ং সিদ্ধা কালৰ

নিষ্ঠুৰ গৰ্ভত কিন্তু
সমগ্ৰ নাৰী-পুৰুষৰ অভিযাত্ৰী প্ৰাণে
মূল উদ্দিষ্টকে হেৰুৱালে
সৃষ্টি, জীৱন আৰু সত্বাৰ ;
লক্ষ্যৰ মূল...... নিৰুদ্দেশ।
মানুহৰ......দৰ্শন আজি
বহুবিধ আৰু বিকৃত ;
জীৱন তুচ্ছ,
দাম্পত্য শিথিল আৰু প্ৰৱঞ্চনাময়।
পুৰুষ আৰু নাৰীৰ......
সম্পৰ্ক পাশৱ আৰু
ইন্দ্ৰিয়ৰ প্ৰাধান্য ;
আশ্ৰয় আৰু অৱলম্বন শক্তি
নৈতিক আৰু সামাজিক,
আৰ্থিক আৰু মানসিক,
সৰ্বক্ষেত্ৰতে।
পৰিয়াল বিচ্ছিন্ন আৰু
সমাজ বিভক্ত,
সন্দেহ ভৰা, ত্ৰাসগ্ৰস্ত আৰু দ্বন্দপূৰ্ণ
সামূহিক আৰু সামগ্ৰিক ভাবে ;
শান্তি সুদূৰ পৰাহত আৰু
দুঃসাধ্য ৰহস্য ;

অন্যহাতে প্ৰগতিও ব্যাহত
(আভিধানিক মতে নহয়,
দাৰ্শনিক ·····)।
জীৱন আৰু সত্তাৰ প্ৰতি
আকৌ অনাস্থা, অবিশ্বাস,
বৈৰাগ্য আৰু উদাসীনতা ;
আত্মাৰ মূল্য-হ্রাস আৰু
তাৰ ওপৰত······
ক্ষণস্থায়িত্বৰ লঘু ·· ···আৰোপ ;
সৃষ্টি প্ৰবৃত্তিৰ অনাসক্তি,
ভয় আৰু মুক্তিৰ হেঁপাহত
আত্মহত্যা ক্ৰমবৰ্দ্ধমান······
কেউদিশ জুৰি।
সমগ্ৰ ঘৰখনৰে আজি
অকাল প্ৰলয়ৰ প্ৰতি পৰোক্ষ আহ্বান
উচ্চৈস্বৰে আৰ্তস্বৰত।

*   *   *

কালৰ কিন্তু আকৌ আজি
সময়োপযোগী ৰেঙণি :
চেতনাৰ আজি
আকৌ নৱজাগৰণ

সৰ্বদিশ বিয়পি :
শান্তিৰ মিছিল,
মুক্তিৰ শোভাযাত্ৰা,
প্ৰগতিৰ সজাতিদল,
মুক্ত বিকাশৰ স্মাৰক পত্ৰ ঃ
অৰণ্যৰ আফ্ৰিকাতো আজি
চুম্বণ-বিদ্ৰোহৰ সূচনা ;
অধিকাৰ, প্ৰতিৰক্ষা বিচাৰি
আইনৰ কাঠগড়াত
সকাতৰে আশ্ৰয়-ভিক্ষা ।
পুৰুষৰ প্ৰাণ দণ্ড ;
অপৰাধ নাৰী ধৰ্ষন
শ্বেতাঙ্গী আৰু কৃষ্ণা
মাৰ্কিনৰ বুকুত ।
ষোড়শী যৌৱনাৰ দল
প্ৰেমিকৰ······ পৰাও চেকুৰি পলায়
অবৈধ প্ৰস্তাৱত
দুষ্ট বালক বুলি,
পাশ্চাত্যৰ সমগ্ৰ সমভূমিত ।
আৰু বহুতো······
অন্যান্য বিধ······
উল্লেখ নিষ্প্ৰয়োজন ।

মুঠতে, সিদিনাৰ নৰদৰ্শনৰ উদ্ভোক্তা
শতাভিজ্ঞ বহু পৰীক্ষিত ভোক্তা
সমগ্ৰ পশ্চিম আজি......উভতি,
আকৌ সজাগ,
পুনৰ্গঠনৰ আশাৰ বুকুৰে
পূৰলৈ চায়
স্থিৰ দৃষ্টিৰে ।
তাত আজি পুনৰপি
নতুন প্ৰণয়ন......আইনৰ ;
পুৰণিৰ সংশোধন আৰু
মনৰ সংস্কাৰ ;
লগতে নৱ সৃষ্টিৰ পূৰ্ণোদ্যম :
মানুহক লাগে সত্বা, জীৱন আৰু সৃষ্টি ;
দাম্পত্য, পৰিয়াল আৰু সমাজ ;
মুক্তি, প্ৰগতি আৰু শান্তিৰ
এখন সফল পৃথিৱী ।

আলিবাটৰ ইণ্টাৰভিউ

(একাংকিকা)

যাত্ৰা ব্যস্ত ডেকাক সম্বোধন,
চঞ্চল-নয়না গাভৰুৰ ঃ
ৰ'বছোন······অক্ষন্তুক !
আপোনাকে উদ্দেশ্য······কৈছোঁ ।
ইমান দিনে লোকৰ মুখে······
শুনি আছিলো ·····কথা ;
ভাবিছিলোঁ শুনাতেই অন্ত পৰিব······
জীৱনৰ এটা ডাঙৰ দুখ······ৰৈ যাব ।
কিন্তু·· ···সৌভাগ্য,
নিজকে মই ধন্য ;
সাক্ষাতে আপোনাৰ পূণ্য দৰ্শন······ ।
দূৰতে······দেখিছোঁ বহুদিন ;
সম্বোধন কিন্তু কৰা নাই,
কেৱল ভয় আৰু সংকোচত ।

যশস্যা……বুলি নেভাবিব।
সত্য কথা……
নামটো শুনিয়েই ভাল লাগে;
ভাবৰ · আঙুলি মুঠিকে চুমা খাওঁ
হয়তো নকৰিবও বিশ্বাস;
কৰিলেহেঁতেন পোৱা হলে লগ।
যাওক সেই……অতীত।
মোক লাগে বৰ্তমান,
ভবিষ্যতক পোৱাৰ
নিশ্চিত আশাৰে।
ডাঙৰ একো নিবিচাৰোঁ;
মাথোঁ সৰু এটা অনুৰোধ:
আমাৰ তাতে এদিন……
খালি একাপ চাহ আৰু
এখন তামোল……
ঘৰটো আমাৰ
তেনেই নিৰ্জন আৰু
একেবাৰে নিজন্ স্থাল;
আবেলিটো……সুযোগ ভৰা
মা-দেউতা কোনো নেথাকে,
ওলাই যায়।
মুঠে এদিন অলপ… দিম;

আহিব, কথা পাতিম দুজনে
নিভৃতে ।
মতানৈক্য হলে কোনেও নেজানে
আমাৰ ভিতৰতে থাকিব ।
কাইলৈ যদি ∴ সময় নাই,
ভাইটোৰ হাতত চিঠি ··· দিম ;
আহিব নোৱাৰিলে
চিঠিত লিখা প্ৰশ্নকিটাৰ
উত্তৰ দিব চিঠিৰে ;
আমাৰ জীৱনত ৰাজদূত নাই,
মৌখিক উত্তৰৰ প্ৰতিবেদনবোৰ
প্ৰায়ে ভুল হয় ,
ৰাজধানীৰ বাঘে
চিকাৰীকে হত্যা কৰে
আপুনি নিশ্চয় যুগৰ শিক্ষা পাইছে :
অভিজ্ঞতাত প্ৰবীণ,
মোৰ বিশ্বাস, ধাৰণা আৰু
অনুমানৰ জোখাৰে ।
বহলাই নকওঁ ··· ।
মাথোঁ ·· জীৱনৰ এটা ডাঙৰ হেঁপাহ,
আপোনাৰ প্ৰাণৰ লগত চিনাকি হব খোজোঁ ।
মোৰ বিশ্বাস,

নিৰাশ নহওঁ,
আপোনাৰ ওপৰত .....
ন্যায্য দাবী ।
ঃ দাদাৰ অন্তৰ প্ৰাৰ্থিনী পত্ৰ প্ৰেমিকা
তুমিয়েই নোহোৱা জানো ?
আৰু নামটো...... ?
যাত্ৰা ব্যাকুল ডেকাৰ
কৌতুহলৰ অনুসন্ধিৎসু সুৰত প্ৰশ্ন ।
ঃ হয় ; মোৰ নাম...... ।
অপ্ৰস্তুত গাভৰুৰ হতাশ উত্তৰ আৰু
ব্ৰহ্মচাৰী ব্যৱহাৰেৰে প্ৰেমিক ডেকাৰ
সগৰ্ব প্ৰস্থান ;
ব্যৰ্থ মনেৰে গাভৰুৰো সপথ গমণ ।

*   *   *

সপ্ৰেম অভিমানৰ সুৰত,
প্ৰেমিকাৰ আবেদন :
আপোনালোক (দুয়ো)ক
সমানেই......পাওঁ,
হিয়াৰ (প্ৰেমৰ)......গভীৰ তলিৰ পৰা ;
তথাপি নিষ্ঠুৰ ভাগ্যইহে জানে
জীৱনত কেতিয়া কাক পাণিদান...... ।

কথা লাগে সেই দেখিয়েই ;
তেওঁকো কৈছোঁ।
মই যদি আপোনাৰ ·· হওঁ,
আপোনাৰ অনুপস্থিতিত,
অকলে থাকোতে,
তেওঁক দিব লাগিব অবাধ গমনাধিকাৰ
মোৰ তালৈ,
আপোনাৰ······অভাব পূৰণৰ কাৰণে।
তাত আপোনাৰ বা ঘৰৰ......
স্বামীত্ব বা কর্তৃত্ব নেখাটিব :
খটোৰাব খুজিলেও
মানিবলৈ প্ৰস্তুত নহয়
মই আৰু মোৰ মন সমানেই !
আৰু মই তেওঁৰ ··· হবলগীয়া হলে,
সেই একে অধিকাৰ পাব আপুনি ।
গতিকে, আপুনিও উক্তৰত দাতাকর্ণ হওক,
আপোনাৰ পালত······
নিজৰ ফালৰ পৰা।
: প্ৰাণাধিকা প্ৰিয়ে !
দেৱী তুমি, হবা······ৰাণী ।
কামনাৰ দাম্পত্য-জীৱনলৈ,
ইমান ক্ষুদ্ৰাতিক্ষুদ্ৰ কথাৰ

পূৰ্ব প্ৰতিশ্ৰুতিৰ যুক্তি ক'ত !
অৱশ্যে···প্ৰশ্নই তোমাৰ
অন্তৰৰ মহত্ব সূচায়,
প্ৰভুৰ মোৰ ··· ওপৰত,
তোমাৰ ফালৰ পৰা ;
অশেষ ধন্য······প্ৰেমিক জীৱন !
সেই বুলি, ইমান অযাচিত······দান যাৰ,
সেই অন্তৰৰ ওপৰত
সংকীৰ্ণতাৰ ইমান হীন কাল্পনিক প্ৰশ্ন ?
ই বিবৰ্তনৰ দান······
সমাজৰ, মনৰ !
তথাপি, বিনাচৰ্তে······ দিছোঁ,
তোমাৰ সৰ্বাধিকাৰ অব্যাহত থাকিব।
এইখন আৰু আমাৰ
পুৰণিৰ গোড়া পৃথিৱী নহয় ;
প্ৰগতিৰ নতুন জগৎ ;
সভ্যতাৰ ভূস্বৰ্গ মুক্ত আৰু স্বাধীন।
প্ৰেমিকাৰ অনুগ্ৰহ প্ৰাৰ্থী,
প্ৰণয় ব্যাকুল প্ৰেমিকৰ
কামনাৰ অভিভূতি পূৰ্ণ প্ৰতিজ্ঞা ; আৰু
প্ৰতিজ্ঞাস্তুত দৃশ্য-যৱনিকা।
* * *

ৰংৰহস্যৰ আলোচনাৰ
আনন্দ-মুখৰ এটা দলৰ এগৰাকীৰ উক্তিঃ
মুক্তা বা পৰিত্যক্তাও নোহোৱা বীণা !
তথাপি ইমান অধিকাৰ !
স্থান-কাল-দূৰত্ব নিৰ্বিশেষে
অবাধ আৰু নিৰ্বিবাদ চৰ্চা·····
প্ৰাক বন্ধন জীৱনাপেক্ষা
অধিক-সংখ্যক বন্ধু-বান্ধৱৰ·····।
ইমান প্ৰগতিশীল ····পালা তুমি !
ঃ প্ৰগতিশীলতাৰ প্ৰশ্ন আকৌ,
অন্ততঃ এই যুগত··· ?
মহত্বৰ গৌৰৱছোন তাত অকনো নাই !
যুগৰ অপৰিহাৰ্য্য উপযোগিতা,
পুৰুষৰ অত্যাৱশ্যকীয় গুণ এটা,
বিশেষকৈ দাম্পত্যৰ সূচনা য'ত।
নিদিয়ে যিজনে······শতাব্দীৰ অনুপযোগী,
সমাজৰ শত্ৰু,
লব নোখোজে যি······সেই অধিকাৰ,
আমাৰ ·· কুল বৰ্জিতা,
জাতিৰ কলংক।
বীণাৰ মন্তব্য,
সগৰ্বে আত্ম-প্ৰসাদৰ সুৰত।

টপৰাই আন এগৰাকীৰ বক্তব্য :
স্বপুৰুষ মহত হব পাৰে,
কোনো দিন নহবও পাৰে সন্দেহৰ অৱকাশ,
দাম্পত্যৰ মাজ-মজিয়াত ;
কিন্তু, তেওঁৰ অনুপস্থিতি,
আনৰ সাহচৰ্য্যত.
বন্ধুৰ সান্নিধ্যত,
ক'ৰবাত দুৰ্বল মুহূৰ্তত.
কেতিয়াবা যদি ইন্দ্ৰিয়ৰ তাড়নাত,
অথবা প্ৰলোভনৰ ইন্দ্ৰজালত
পৰপাত্ৰে দান ঘটে,
নৈতিক সভ্যতা
অথবা দাম্পত্যৰ ধৰ্মই থাকিল ক'ত ?
এইবাৰৰ প্ৰশ্নগুনি··· বীণাৰ সমালোচনা ·····
তাচ্ছিল্যৰ সুৰত :
তৃষ্ণাতুৰক জলধিৰ স্বেচ্ছাকৃত দানত
নৈতিক-সভ্যতাৰ বিপৰ্য্যয়ৰ যুক্তি ক'ত ?
পাপ য'ত শক্তিৰ প্ৰয়োগ
ইচ্ছাৰ প্ৰতিকূলে ।
আৰু সংজ্ঞাৰো ভুল
তোমালোকৰ দাম্পত্যৰ ;
আৰ্থিক নিৰ্ভৰশীলতা বাদ দিয়াৰ পিচত,

দাম্পত্যৰ ভিত্তি আৰু সূত্ৰ কি ?
তাৰ অধিকাৰ জন্মস্বত্ব ;
কিন্তু··· কঠোৰ আনুষ্ঠানিক আৰু
প্ৰশাসনীয় নিয়ম-তান্ত্ৰিকতা
মানুহৰ নেহায়েৎ সৃষ্টি
সাম্ৰাজ্যবাদ সুলভ শ্ৰেণী স্বাৰ্থৰ হকে ।
সেই পাপ বৰঞ্চ প্ৰযোজ্য
তোমালোকৰ সেই (তথাকথিত)
বাধ্য-বাধকতাৰ দাম্পত্যৰ
সৰ্বগ্ৰাসী ক্ষেত্ৰত ;
প্ৰবহমান আদি সমাজৰ পৰা,
যাক চলাব লাগিছা এতিয়াও আৰু......
খুজিছা আগলৈকো ।
মানিব নোখোজা যদি,
ক্ষতি মোৰ নহয় ··
আৰু জগতৰো · ···
সৃষ্টিও অব্যাহত ·· একেদৰে ;
কেৱল পুৰণিলৈ ঢাপলি মেলা
এই তোমালোক আৰু
অনুগামী তোমালোকৰ
সমাজৰ সংখ্যা লঘিষ্ঠ দলে
দীৰ্ঘকাল......কটাবা

অপ্ৰকাশ আৰু আত্মসংকোচৰ মাজেৰে
ইদলক সমালোচনা কৰি কৰি
একক আত্ম-প্ৰসাদত।
বীণাৰ সমালোচনাত,
নৈতিক মনৰ ওপৰত তীব্ৰ আক্ৰমণত
শক্তি-সমূহ সন্মুখীন হয়
স্পষ্টবাদিতা আৰু পক্ষ সমৰ্থনৰ
জটিল প্ৰশ্নৰ ;
সহ-অৱস্থানৰ ঐক্যদল
থিতাতে দ্বিভক্ত হৈ যায় ;
এদল সংখ্যা গৰিষ্ঠ,
সংখ্যা লঘিষ্ঠ আনটো।
: মানুহৰ পৃথিবীত……ইতৰৰ কামনা,
বাসনা আৰু লভা।
সমাজৰ ঘোৰ অভিশাপ……
উদ্ভাবিকা আৰু প্ৰচাৰিকা… তুমি,
আৰু নিজেই… ভোক্তা :
বাধা নাই কতো কোনো প্ৰকাৰ ;
শতাব্দী কিন্তু মাথোঁ এটা .. আৰু
বাকী সকলোটি আমাৰ ;
কালৰ নিৰ্ণয় তুমি স্বীকাৰ কৰিবই লাগিব,
আৰু আমি হ'ম দৰ্শক-সাক্ষী ;

সিমানতো অব্যাহত থাকিব
পৰম্পৰা বহল আৰু বিপুল সৃষ্টিৰ :
সহ-অৱস্থানৰ অৱসান নিষ্প্ৰয়োজন
অত্যাৱশ্যক বৰঞ্চ স্থিতিহে তাৰ।
আমি আমিয়েই থাকিম ;
আমাৰ জন্ম ভদীয়া বতৰৰ
পিছল উপত্যকাৰ হেলনীয়া বাটত ;
পদস্খলনৰ ভয় মুঠেই নাই।
তুমি কিন্তু... হৈ নেথাকা ;
আমাত আহি যোগ দিবা
মনৰ তাড়নাত আৰু জীৱনৰ বাধ্য বাধকতাত
সেই যুগ আহক, জন্ম আৰু জীৱন,
তোমাৰ-আমাৰ নিৰ্বিশেষে সকলোৰে.....।
বীণাৰ বিৰোধী পক্ষৰ এগৰাকীৰ বক্তব্য।
লগে লগে অক্লান্ত ;
ৰাজধানী, মহানগৰী আৰু... উপকণ্ঠৰ
পাৰ্ক আৰু আলিবাটত।

লোভালোভৰ গীত

মহাসমৰৰ বুৰঞ্জী নহয় ই,
পাঠ্যক্রম ৰাজনীতিৰ শিক্ষাৰ্থীৰ,
অথবা মুক্তি সংগ্রামৰ নেতাৰ
খেচিচৰ ডাটা
কুৰি শতিকাৰ ;
তোমাৰ······ মোৰ······
এছোৱাৰ কাহিনী,
যৌৱন-কালীন প্ৰেমৰ ইতিহাস,
ইঁাহি ধেমালিৰ বেলেঞ্চছিট (খতিয়ান) ।

*   *   *

আমাৰ······· ·প্ৰথম সাক্ষাৎ প্ৰেমৰ,
চিৰ স্মৰনীয় (অমৰ ?) বাক্য-শিল্পী-নাট্যকাৰ···ৰ
হুবহু········ মতে ।

গীত-সংলাপো …. একেদৰেই, আৰু
সকলো মুদ্ৰা-ভূমিকা প্ৰকাশ ঠিক……নিৰ্দেশমতেই,
পাৰ্ক-আলিবাট আৰু …… ফুলনি তলত,
(মিলনান্ত নাটকৰ শেষ দৃশ্য কলপুলিতল বাদে)।
আমাৰ ষষ্ঠ বাৰ্ষিকী পৰিকল্পনাত
নিয়োগ-সম্পৰ্ক অভাৱত ……..
গুৰুজনৰ আশীৰ্বাদ নাই,
কেৱল পুৰোহিতৰ অভিশাপ।

* * *

জন সমুদ্ৰৰ লীলা-মেলাত
আমি বহুত ফুৰিলোঁ,
গভীৰ বন্ধুত্বৰ প্ৰদৰ্শনিৰে
(অন্তৰত অতল প্ৰেমৰ উপলব্ধি লৈ,
নৱ-দম্পতিৰ আত্ম-প্ৰসাদত আৰু
তীৰ্থ-পণ্ডিতৰ চকুত
ককাই-ভনীৰ বতাহ বলাই
ভগ্নিয়েই শ্ৰেষ্ঠ ভাৰ্য্যা বুলি সোঁৱৰাই দি),
চিঠি লিখি,
গীত-কবিতা-গল্প ৰচি,
দেশ-বিদেশৰ ছখ আৰু চৌখিনতাৰ
মনোমোহা আৰু চকু ৰোৱা…

সামগ্ৰীৰ যোগান ধৰি
নিতৌ প্ৰতিদানৰ আশাত :
ব্ৰডৱে (বহল বাট ?)ৰ মাজ বুকুত
পৰিচালকৰ অনুগ্ৰহৰ দান মহিলা-কক্ষত
তুমি আৰু মই
কেৱল কল্পনাৰ ছবি আঁকিছোঁ,
আৰু ৰচিছোঁ মিলনৰ যোজনাৰ খচৰা,
একপক্ষীয়া দানৰ মূলধনেৰে
চক্ৰবৃদ্ধিৰ লাভৰ লোভত :
আৰু তাতেই মোৰ
বুকুত মুখটি গুঁজি,
দেহাত দেহাটি লগাই আৰু
কান্ধত মূৰটো থৈ,
তুমি বহুতো······গালা ;
তোমাৰ বহুতো····· গীত শুনিলোঁ মই :
গীতত মাথোঁ তোমাৰ পালোঁ ইঙ্গিত
সুসঞ্চয় আৰু ভঁৰাল গঠনৰ,
প্ৰণয়ৰ, যৌৱনৰ আৰু ভোগৰ ;
আৰু সেই······পাৰিপ্ৰেক্ষিতে
প্ৰেমৰ আবেদন,
দানৰ প্ৰাৰ্থনা,
পৰিকল্পনাৰ সাফল্যৰ উদ্দে

ময়ো আগ বাঢ়িলোঁ নিঃসংকোচে,
হাতৰ মুঠি খুলি
দানৰ আহ্বানৰ বাটেৰে ;
বাকী থাকিল কেৱল
অস্ত্ৰোপচাৰ কৰিও দিব নোৱাৰা
মুঠিত লৈ এই জীৱাত্মা
(দেহান্তৰৰ ভয়ত) ।

*　　　　*　　　　*

তাৰ আৰু বাস্তৱ দানান্তত কিন্তু মই
সৰ্বস্বান্ত হলোঁ দেউলিয়া :
লগত লৈ অহা,
ইয়াত বিচাৰি নোপোৱা,
জন্মগত আৰু জন্মস্বত্ব,
মন, প্ৰাণ, দেহা, আৰু জীৱনৰ
অপৰিমিত......হেৰোৱালোঁ,
এই নতুন ঘৰত ;
ক্ষতি চিৰ-অপূৰণীয় ।
মোৰ প্ৰেমে প্ৰেমৰ পৃথিৱীতে
নেপালে এবাৰ মৰমৰ মাত,
অকণ অভিনন্দন আৰু
ছুটি ওঁঠৰ জোখাৰে এডোখৰি ঠাই ;

প্ৰবোধ বিচাৰি পালে বিতৰণৰ আনন্দত
বাধ্য হৈ ব্যৰ্থ মনেৰে অৱশেষত।

* * *

লাভো মোৰ······অপৰিমিত ঃ
জগত লৈ নহয়,
তাত নথকা আৰু পাৰ নোৱাৰা।
বহুতো····· পালোঁ,
চিৰ-সহায়ক, বহুমূলীয়া অভিজ্ঞতা।
ভুল আৰু নহয়,
পিচৰ জীৱনবোৰত।
তোমাক লাগে কেৱল কাম,
কামৰ দান,
দানৰ কামৰ মানুহ নহয় ;
তোমাৰ শলাগণি
কৰ্মাদায়ৰ উদ্দীপনা,
দানৰ প্ৰতিদান নহয়।
তোমাক দেখিলো,
তাৰ মাজেদি,
মোৰ (দৰে বহুতৰ ?) দানেৰে
নিজক গঢ়ি লোৱা
(যোগ্যা, অভিজ্ঞা, সুদক্ষা আৰু পাৰদৰ্শিনী কৰি)

মোত বাদে আনৰ কাৰণে ।······

*　　　*　　　*

তোমাৰ এই প্ৰেম
প্ৰবীনৰ······দাম্পত্যৰ কাৰণে
নবীনৰ লগত প্ৰশিক্ষা ।
তোমাক ভাল পাই আজি
হৰণ ভগনাস্তত পূৰ্ণ মই ৰিক্ত
ৰিক্ত মই পূৰ্ণ আনহাতে
তোমাৰ অন্তৰ নেপাই আক
তুমি নাৰী আজিও
পুৰুষৰ অনাৱিস্কৃতা !

কুৰিশতিকাৰ মহাকাব্য

ৰামায়ণ-মহাভাৰত······
আগতেই লিখা হ'ল।
কালিদাস-হোমাৰ-ডান্টে,
ছেক্সপিয়াৰ-ৱার্ডচৱার্থ-ছাদী-হাফেজ,
সিদিনাৰ ইক্‌বাল-ঠাকুৰ-শ্ব'······
তেওঁবিলাকৰো এজন নহওঁ।
এই অতিকৈ মৰমৰ
আমাৰ ঘৰ আৰু সমাজখনেই
মোৰ····· সকলো খুলি খালে,
জীৱনটোকো ভগাই ললে
তিল্ তিলকৈ।
সার্বজনীন নেতা অৱশ্যে নহওঁ।
দাল নেতাও হব নোৱাৰিলোঁ······ কাৰণে।
কিন্তু তেওঁৰে···দৰেই

একাংশৰ হিয়া ভৰা মৰম-শলাগ,
আৰু একাংশৰ অগ্নিবৰ্ষী অভিশাপে
আৱৰি থাকিব মোৰ
এই (আত্মাৰ) ওৰে জীৱন,
বেদনাৰ মহীৰে......
মোৰ এই কুৰি শতিকাৰ
মহাকাব্য পঢ়ি।

*　　　*　　　*

মোৰ এই মহাকাব্য আমাৰ......প্ৰকাশ :
আমি সৃষ্টিৰ সেই আদিম......
সাম্যৰ......শেষ ছোৱাৰ পৰাই
নাঙলৰ ফালেৰে
ধৰণীৰ বুকু ফালোঁ!
কামীহাড় ভাঙি নিঙৰ।
শুকান আকাশৰ তলত
নীৰস পৃথিৱীত জুই উঠে,
শুকাই লেৰেলি মৰিব খোজে অঙ্কুৰবোৰ।
আমি চলাওঁ কপালৰ (ঘামৰ)......জলসিঞ্চন
পথাৰত আৰু মৰুভূমিত ;
পৃথিৱী সেইজীয়া হৈ উঠে।
আমাৰ কাৰণে বিনিময় কিন্তু অদ্ভুত।

নদন-বদন পথাৰৰ বুকুত
ধানৰ জন্মদাতাৰ প্ৰাণৰ অৱসান,
অনাহাৰত,
পুত্ৰ-পৰিয়াল লৈ,
আঘোণত দাই-মেলি থৈও।
প্ৰেমিক ডেকাই অন্ন যাচে সমাধিত :
হাতত বৰাচাউলৰ টোপোলা।
আলিবাটত দুৰ্ভিক্ষ প্ৰতিৰোধৰ মিছিল,
লাল-নেতাৰ ইনকিলাব জিন্দাবাদ !!!
শূণ্যত ৰক্ত পতাকাৰ······
তৰা আৰু কাচি-হাতুৰি ;
আদালতত সত্যাগ্ৰহ।
পিঠিত······লাঠিৰ কোব,
অন্তৰত মৃতকৰ প্ৰতি স্মৃতি,
শোক আৰু সন্তাপ।
*   *   *
জনাকীৰ্ণ মহানগৰীৰ বুকুত,
ধনৰ জনক-জননী
নাৰী-পুৰুষৰ হাতুৰিৰ কোবত,
হাতৰ পৰশত,
জুই জ্বলে, কয়লা পোৰে,
বিদ্যুত চলে আৰু

চকৰি ঘূৰে,
টকা-ডলাৰ আৰু ষ্টাৰ্লিঙৰ জন্ম দি।
জন্মদাতাৰ হাওঁফাওঁ কিন্তু হয় চালনিৰ দৰে ফুটা।
সময়ত এক্স্‌-ৰে পোৱা নেযায়,
পোৱা যায় অস্ত্ৰোপচাৰ
সময়ৰ শেষত, আৰু
মহানগৰীৰ বুকুত কান্দোনৰ ৰোল উঠে·····
পুত্ৰ-ভাৰ্য্যা-পৰিয়ালৰ
হৰিজনক আকোঁৱালি ধৰি।

* * *

আমি অঘৰী।
গৃহ আৰু অট্টালিকাময় গাওঁ,
নগৰ আৰু মহানগৰীত,
মাটিৰ পৃথিৱীত আমি মাটি হান;
শেষ প্ৰয়োজনৰ সময়ত
গোৰস্থান বা শ্মশানত বাদে,
পাক-হিন্দুস্থান,
ইউৰোপ-আফ্ৰিকা আৰু
মাৰ্কিনৰ বুকু,
কতো আমাৰ·····মাটি নাই।
লোণীয়া আৰু তপত লোতক-সাগৰ আছে;

তাতো দ্বীপ নাই,
আছে দ্বীপিকা ;
সিও বুকু-গর্ভৰ তাপ আৰু
শোষক সূৰ্য্যৰ টানত
কঠিন শিল আৰু তপত বালিৰ মৰুভূমি

* * *

আমি দীন-দম্পতিৰ হীন সন্তান,
কলা-বোবা-লেঙেৰা,
অন্ধ-অৱশ- অঙ্গহীন-পঙ্গু,
ভিক্ষাৰ প্ৰাৰ্থী পৰমুখাপেক্ষী,
সৃষ্টিকামীৰ বংশধৰ,
পৃথিৱীৰ অভিশাপ,
সমাজৰ আৱৰ্জনা ;
বিজ্ঞ-ভদ্ৰ প্ৰগতিশীলৰ
যাত্ৰা নাশী অদৰ্শনীয় ।
জাতীয় উৎসৱ, মহামেলত
আমাৰ ভাগে আৰু
জীৱন-দৰ্শনে ঠাই নেপায়,
লোক-কৃষ্টি-নাট-সঙ্গীতত ।
চাহ-মেল অথবা ভোজৰ সভাত
কাপ-পিৰিচ অথবা কলপাত,

আমাৰ কাৰণে একোৱেই নাই।
পৃথিৱী আমাৰ প্ৰেম-হীন,
তাত প্ৰেমিকাৰো জন্ম নাই।
আছে কেৱল মৃত্যুহীন ক্লেশৰ জীৱন।
নিৰ্বিকাৰ সাক্ষী-আমি হেজাৰ প্ৰেমৰ,
শুভাকাঙ্খী লীলাৰ দৰ্শন প্ৰাৰ্থী
প্ৰেমৰ দেৱ-দেৱীৰ,
জন্মোত্তৰ বাধ্য-বাধকতাত।

* * *

আমি অনাৰ্য্য-বিতাড়ক-আৰ্য্য-সন্ততি
(ভূলোকৰ কেউদিশৰ)
প্ৰৱঞ্চক, দস্যু-ডাকু, জেপলুককা, পথ-ভ্ৰষ্ট আৰু
সিন্ধি-মুখৰ অভ্যাসৰ অপৰাধী,
জন্মোত্তৰ...... তাড়নাত।
আমাৰ কাৰণে ঘৃণা-ধিক্কাৰ, কাৰাবাস,
সকলো আছে ;
কুসংস্কাৰ আৰু দুৰ্নীতি বিদূৰক
প্ৰশাসনিক ব্যৱস্থাৰো অভাৱ নাই।
কপিল-ঋষি, মৰিয়ম-পুত্ৰ আৰু
মক-দুলালৰ অপাৰ্থিৱ বাণীও......আছে
আমাৰ ঘৰে ঘৰে আৰু

প্ৰতিখন অন্তৰত।
কিন্তু অভাৱ তেতিয়াও.....
আৰু এতিয়াও···
আমাৰ শ্ৰেণী-উচ্ছেদৰ
অৰ্থ-নৈতিক বাস্তৱ যোজনাৰ
প্ৰায়োগিক ব্যৱস্থাৰ।

*　　　*　　　*

আমাৰ এই বহুমুখী অভিযোগৰ
প্ৰতিশোধ নচলে,
চলে কেৱল প্ৰতিকাৰৰ অভিযান;
কৰ্ম, মাটি, বোনাচ, দৰ্মহা-বৃদ্ধি আৰু
মূল্য-বৃদ্ধি প্ৰতিৰোধৰ ধ্বনি,
ৰক্ত পতাকাৰ শপত গ্ৰহণ কৰি।
বহুল পৃথিৱীত কিন্তু আমাৰ বাট সংকীৰ্ণ;
লাঠি, কন্দুৱা গেচ আৰু
বেয়নেটৰ লগত সংঘৰ্ষ চলে;
তীব্ৰ সংঘৰ্ষত দমনৰ বিস্ফোৰণ ঘটে,
মাজ-বুকুৰেদি বুলেটৰ বিন্ধা
(লঘোণীয়া আত্মাৰ চেকুৰি পলোৱাৰ বাট)ৰ জন্ম দি,
ৰৰমহলত বগা ভালুকৰ যৌথ হাঁহিৰ মাজত।
গেটৰ মুখত ছাটাইৰ জাননী লাগে,

আলিবাটত পাণি-প্ৰাৰ্থীৰ শৱযাত্ৰা চলে আৰু
কাৰখানাৰ চুকত বাগৰে প্ৰেমিকাৰ চকুলো।

*　　*　　*

বেদনাৰ কৃষ্ণ, ৰক্ত আৰু সেউজীয়া ··· লেখ'
আমাৰ প্ৰকাশ
মোৰ এই মহাকাব্যৰ পাত লুটিয়াই
২০০০ চনৰ শেষ আবেলিতো
মোক······পেলাব নোৱাৰি
পিচদিনা পুৱাও
মোক লৈয়েই কথা পাতিব
ভয়-বিস্ময় আৰু সাহ-শ্ৰদ্ধাৰে :
হাতৰ ১০০ টোৱে তেতিয়াও
পিঠিত আৰু এটা শূণ্য বিচাৰিব :
তাৰ পিচতো (কাল গৰ্ভৰ) ভ্ৰূণৰ দলে
প্ৰস্তুতি চলাব······
মোৰ কবৰাভিযানৰ······
পাণ্ডুলিপি বিচাৰি :
সিহঁতৰ প্ৰতিশ্ৰুত সৃষ্টিকামী দলে তেতিয়াও
ভৱিষ্যৎ নিৰাপত্তাৰ শুভেচ্ছাৰে
আজিৰ এই······সভ্যতাৰ হিমালয়ৰ গাত
জীৱাস্ম বিচাৰি উদ্বাউল হব।

বায়ুস্তৰত গ্ৰাহক · ···পাতি
শ্ৰেণী-বিন্যাস কৰিব
শব্দ-তৰঙ্গ বিচাৰি, মোৰ ।
ৰজা-মহাৰজাৰ শ্ৰেণীবিদ্ৰোহী
পাঠক-পৃষ্ঠপোষক নবীনৰ দলে
অসীম আনন্দ আৰু সাগ্ৰহে
বিচাৰি উলিয়াব
মোৰ লেখা··· সৰ্বজন অবিদিত
নিঃকিনতম মানুহৰ জীৱনেতিহাস ।
জগতে বিচাৰি পাব,
উত্তৰ দাতাৰ অনুপস্থিতিত,
ব্যৰ্থ প্ৰশ্নত
সমাধানৰ সাৰ্থক সন্ধান ;
আৰু পাব মোৰ এই ··... পাতত
আমাৰ মহাজাগৰণৰ উৎস ।
কোটি কণ্ঠে স্বীকাৰ কৰিব
জাগৰণৰ মহা উদ্যোগ এটমৰ জন্ম,
চন্দ্ৰত কছৰ বৰ্মাৱতৰণ
আমাৰেই উদ্যোগৰ মহাবিকাশ ।

* * *

আমাৰ প্ৰকাশ মোৰ এই···

চূড়ান্ত বিচাৰৰ দিনালৈ
সৃষ্টি হ'ব আলৰ প্ৰৌঢ়া ।
তথাপি অক্ষয়......
এই মহাকাব্যৰ সাৰ্থকতা ।
সৃষ্টিৰ .. শেষৰ আগদিনালৈকে,
প্ৰাচ্য-পাশ্চাত্যৰ নৰ-নাৰী,
ডেকা-গাভৰুৰ দলে
মোৰ এই......কথা পঢ়িব,
অন্তৰৰ গভীৰ অনুভূতিৰে,
কেতিয়াবা অপাৰ প্ৰীতি,
কেতিয়াবা তীব্ৰ তিক্ততাৰে,
আৰু মোৰ আত্মাই চাব তেতিয়া
মহাজীৱনৰ পৰম তৃপ্তিৰে
শ্ৰেণী হীনৰ মহানন্দ ।